চান্দমামা

জুলাই ১৯৯১



ল'ৰালিৰ ৰং ধেমালি
মজাই মজা
স্কুলত যে স্ফুৰ্ত্তি কিমান,
নতুন ফেভিক্ৰীল
ষ্টুডেণ্ট্‌চ পষ্টাৰ কালাৰ্চ
লগাবলৈ যে সহজ ইমান !
চোৰানা, দেখাত ক্ৰীমৰ দৰে
ৰং-বিৰঙী তিৰবিৰোৱা,
পাত সেউজীয়া, সেন্দুৰ ৰঙা,
আকাশী নীলা,
লগতে আছে
গাখীৰ বগা !!
ড্ৰয়িং এটা দিয়া আঁকি,
ফটাফট দিয়া ৰং সানি,
নতুন ফেভিক্ৰীল ষ্টুডেণ্ট্‌চ
পষ্টাৰ কালাৰ্চে
কিমান যে দিয়ে মজা আনি !
(হ হ হ ! মাটৈ ভয় নাখাবা । তেও ভালতো পাবই নাম
আৰু ভালপাব তোমাৰ ধুনীয়া ধুনীয়া কাম !)
বিনামূল্যে
পেইণ্ট-এ-পষ্টাৰ
ইয়ালৈ লিখক : ফেভিক্ৰীল, পোষ্ট বক্স ১৭৪০১,
আন্ধেৰী (ইষ্ট), বম্বে ৪০০ ০৫৯ ।
নতুন
পিডিলাইট
ফেভিক্ৰীল®
ষ্টুডেণ্ট্‌চ পষ্টাৰ কালাৰ্চ
ফেভিকল ব্ৰেণ্ড এডেচিভৰ নিৰ্মাতা পিডিলাইটৰ তৰফৰ পৰা ।
বিনামূল্যে
STUDENTS' POSTER COLOUR
PIDILITE
Fevicryl®
LILLIPUT KIT
FREE STENCIL INSIDE
Fevicryl
everest/91/PIL/117 as
বিনামূল্যে
নাম :
বয়স :
ঠিকনা :
স্কুল :
CDM



হয়তো, ভালদৰে খোৱা-বোৱা নকৰিলে গঢ়ন-বাঢ়নত বাধা পৰিব পাৰে ...

সন্তানে সঠিকভাৱে খোৱা-বোৱা নকৰিলে, তাৰ শৰীৰৰ আৱশ্যকীয় সকলোখিনি পৰিপুষ্টি আহৰণ কৰিব নোৱাৰে। পৰ্য্যাপ্ত পৰিপুষ্টি নাপালে তাৰ গঢ়ন-বাঢ়নতো কেনা লাগিব পাৰে। সেই পুষ্টি পৰিপূৰণ কৰিবলৈ তক খুৱাওক কমপ্লান। ই হেৰোৱা পুৰিপুষ্টি পুনৰোদ্ধাৰ কৰাত সহায় কৰে। কমপ্লানত আছে দুগ্ধ-প্ৰোটিন, (২০%) - গঢ়ন বাঢ়নৰ বাবে ই হৈছে উৎকৃষ্ট প্ৰোটিন, লগতে আছে শৰীৰৰ প্ৰয়োজনীয় ২২ বিধ অত্যাৱশ্যকীয় আহাৰ।

কমপ্লান পোৱা যায়
৫ বিধ তৃপ্তিকৰ সোৱাদত

কমপ্লান®
সুপৰিকল্পিত সম্পূৰ্ণ আহাৰ

GX/27/173 ASM R

চান্দমামা

জুলাই ১৯৯১

এই আছে

সংখ্যাত

জন-শক্তি	:	৭	চান্দমামা-ক্রোড়পত্র	:	৩৭
পৃথিৱীৰ খিৰিকীৰে	:	৯	মিলন-মন্ত্ৰী	:	৪১
মৰিবৰ ঔষধ	:	১১	বীৰ হনুমান	:	৪৫
জানন্তা মূৰ্খ	:	১৬	কিন্নৰী-কাহিনী	:	৫৩
অপূৰ্ব-কাহিনী	:	১৭	তাতোৱাল-ৰাখোৱাল	:	৫৮
বিশ্বস্ততা আৰু বিজ্ঞতা	:	২৫	ধনুভঙা ধেমালি	:	৫৯
আচৰিত বিচনী	:	৩১	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

In a class of its own
Exclusive pencils for one and all,
LION PREMIER® HB PENCILS
Sleek, Elegant, meant for executives and others, who like style. A consistent dark tone for effortless writing · micronized lead for unbreakable points are what adds to its superiority.
L.P.P. LTD. ✱ PREMIER ✱ 261 ✱ HB ✱ BONDED LEAD
LION PINKY® PENCILS
Lion 'PINKY' Pencils Pretty Perfect, Ideal for children because of its pretty designs & colours. Strongly bonded lead for unbreakable points and super smooth writing add to its attraction.
PINKY
LION Geematic® DRAWING PENCILS
Lion Geematic Drawing Pencils. A unit for all Professionals like artists, architects, designers & engineers. Give expertise an edge. Available in 14 grades from H to 6H and B to 6B HB and F
L.P.P. LTD. Geematic DRAWING 555 6B
LION PENCILS LTD
95, Parijat, Marine Drive
BOMBAY 400 002
National-356

Biku, John, Abik, Salim. All waiting for their birthdays. For their PORSCHE.
Mine was yesterday.
PORSCHE
SAMMO
CHANDAMAMA TOYTRONIX
Mfd. by :
Chandamama Toytronix Pvt. Ltd.
Chandamama Buildings,
188, NSK Salai, Vadapalani,
Madras - 600 026.
STP
Remote-Control PORSCHE Toy Car
• For the first time in India
• Indigenously manufactured
• Design from SAMMO of South Korea
FROM THE HOUSE OF CHANDAMAMA

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

ব্যৰ্থতাৰ পোন-বাট

সম্প্ৰতে, এখন বাতৰি-কাকতত এখন ব্যংগচিত্ৰ প্ৰকাশিত হৈছিল, যিখন ব্যংগচিত্ৰত আমাৰ ৰাজনৈতিক দলসমূহৰ ঘাই নেতাসকল পৰীক্ষাত বহাৰ দৃশ্য দেখা গৈছিল। তেওঁলোকৰ প্ৰতিজনৰ আগত থকা পৰীক্ষাৰ উত্তৰপত্ৰত একেইযোৰ কথা লিখা আছিল : এই ব্যংগচিত্ৰখনৰ নাম দিয়া হৈছিল : 'গণ নকলনবিছ' !

প্ৰসংগ প্ৰাসংগিকেই, কিয়নো—কিছুদিনৰ আগতে আমাৰ নগৰ-চহৰবোৰত ছাত্ৰসকলে গণ-নকলনবিছী চলাই পাঠ্যপুথি আৰু সহায়িকা তথা নোট্‌ছৰপৰা উত্তৰ বোটলা দেখা গৈছিল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে। যিসকল ছাত্ৰই স্মৃতিশক্তি আৰু বুদ্ধিবৃত্তিৰে পৰীক্ষা দিছিল, সেই নকল নকৰা ছাত্ৰসকলকে আগৰবিৰ ছত্ৰৰইতে অন্যায় কৰা বুলি ভাবিছিল!

খেলাধূলাতো এনেবোৰ অসত্‌উপায় অৱলম্বিত হৈছে। বিজয়ী হোৱাৰ বাবে নানাবিধ ড্ৰাগ খোৱা খুউৱা হৈছে। আনকি ঘোঁৰাবিলাককো বিজয়ী হোৱাৰ বাবে ড্ৰাগ খুউৱা হৈছে। সফলতাৰ এই পোন-বাটেই জীৱনত ব্যৰ্থতাৰো পোন-বাট।

বছৰ : ১৬   জুলাই ১৯৯১   সংখ্যা : ৪

খনে : ৪·০০ টকা : বছৰেকীয়া বৰঙণি : ৪৮·০০ টকা

TALLEST
1. What was the height of the tallest man in the world?
2. Move three buttons and make the triangle face the other way.
3. What is the distance between the Earth and the Moon?
4. Name the family of Angles.
FREE GIFT
for the first 1000 all correct answers.
OMEGA
S·O·N·Y
OMEGA
Sony
MATHEMATICAL DRAWING INSTRUMENTS
ART NO. 1635
Hurry,
your answers must reach us before 31st August, 1991.
OMEGA
GEOMETRY MADE FUN
Please attach this advertisement with your answers and mail them to:
Allied Instruments Pvt. Ltd. 30 CD, Govt. Industrial Estate, Kandivli (W), Bombay 400 067.
3 Brothers/OS/2691

এক হাটৰ পৰিয়াল!

ছোভিয়েত ৰাষ্ট্ৰপতি গৰবাচেভে যি প্ৰশ্ন সুধিছিল, কথা জানো চৰ উত্তৰত 'হয়' বুলি হ'ল।

এই 'হয়' আছিল স্বতঃস্ফূৰ্ত স্বতঃপ্ৰণোদিত 'হয়'। কোনো প্ৰকাৰৰ জোৰ-জুলুম বা প্ৰতাৰণা ইয়াৰ মাজত নাছিল। ছোভিয়েত দেশ জোৰা এই প্ৰশ্নটি আছিল তেনেই সহজ-সৰল আৰু স্বচ্ছন্দ আৰু এই প্ৰশ্নটিৰ উত্তৰো আছিল সহজ-সৰল স্বচ্ছন্দ। কোনো প্ৰকাৰৰ জোৰ-জুলুম-জবৰদস্তী নাছিল প্ৰশ্ন কৰাৰ বা উত্তৰ দিয়াৰ ক্ষেত্ৰত। যাৰ মন যায় উত্তৰ দিব, যাৰ মন যায় নিদিব, এয়ে আছিল মুক্ত নীতি।

এতিয়াৰপৰা যিকোনো গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধান পোনে পোনেই "ৰেফাৰেণ্ডাম'ৰ যোগে জনসাধাৰণৰপৰ লোৱা হ'ব, জন-প্ৰতিনিধি-সকলৰপৰা নহয়। কথা সঠিকনে বেঠিক—জনগণৰপৰা প্ৰত্যক্ষভাবে তাৰ উত্তৰ লোৱা হ'ব—জনমতৰ যোগে।

ৰাষ্ট্ৰপতি গৰবাচেভে জনসাধাৰণৰ আগত এই প্ৰশ্ন দাঙি ধৰিছিল: "ছোভিয়েতত স্বতন্ত্ৰ স্বাধীন ৰিপাবলিকৰ ইউনিয়ন প্ৰৱৰ্তিত হৈ থকাটো আপোনালোকে বিচাৰে নে?' এই প্ৰশ্নৰ উত্তৰত অধিক সংখ্যক ছোভিয়েত নাগৰিকেই 'হয়' বুলি কৈছিল। কৈছিল যে – ছোভিয়েতত অধিক সংখ্যক 'ইউনিয়ন' থাকিব লাগে।

কিন্তু ৰাষ্ট্ৰপতি গৰবাচেভে কিয় ছোভিয়েতৰ জনগণলৈ এনেকুৱা এক প্ৰশ্ন অকস্মাৎ দাঙি ধৰিবলগীয়া হৈছিল?

গৰবাচেভে 'পেৰেষ্ট্ৰইকা' আৰু 'গ্লাচনষ্ট' নামৰ দুটা উদাৰতাপূৰ্ণ সংস্কাৰৰ পাতনি তৰিছিল। এইবিধ সংস্কাৰেৰে প্ৰথমতে অধিকাৰ-বিকেন্দ্ৰীকৰণ, পাছত—ধৰ্মীয় স্বাধীনতা আৰু পাশ্চাত্য ৰীতিৰে শাসন-পৰিচালন আৰম্ভ কৰিছিল আৰু তাৰ ফলত গুৰুত্বপূৰ্ণ পৰিণামৰ সন্মুখীন হৈছিল খাদ্যবস্তুৰ অভাৱ, মুদ্ৰাস্ফীতি আদিৰ ফলত কিছু সংখ্যক ৰিপাবলিকে বিচ্ছিন্ন হ'বলৈকো পদক্ষেপ গ্ৰহণ কৰিছিল। তাৰ ফলস্বৰূপে গৰবাচেভে বলপ্ৰয়োগ কৰিবলগীয়া হৈছিল যেতিয়া—'জনমত' গ্ৰহণ কৰাটোকে উত্তম উপায় বুলি বিবেচনা কৰি তেওঁ সেই পথলৈ খোজ লৈছিল, 'ৰেফাৰেণ্ডাম'ৰ আশ্ৰয় লোৱা হৈছিল। এই বিচ্ছিন্নতাবাদী মনোভাবৰ তথা দেশ-জোৰা হৈ-হুলস্থুলৰ এক মৰ্য্যাদাপূৰ্ণ সমাধানৰ এক প্ৰকৃষ্ট উত্তৰৰ বাবে।



'ৰেফাৰেণ্ডাম' অৰ্থাৎ —'অনুমোদন-কাৰ্য্য'ৰ সপক্ষে সুস্পষ্ট মত বিচৰাত কথ্ জনসাধাৰণে ৰায় দিলে: "আমি এক হাটিৰে পৰিয়াল হৈ থাকিবলৈ বিচাৰোঁ"। এই ৰেফাৰেণ্ডামত ছখন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰিপাবলিকে অংশগ্ৰহণ কৰা নাছিল; কিন্তু নখন বৃহৎ ৰিপাবলিকে অংশগ্ৰহণ কৰিছিল। এই ন'খন ৰিপাবলিকৰ জন-সমষ্টিয়েই হ'ল ছোভিয়েত দেশৰ সমগ্ৰ জন-মষ্টিৰ ৯০ শতাংশ। এই বিশাল জন-সমষ্টিয়ে সংযুক্ত ছোভিয়েতলৈ অভিমত ব্যক্ত কৰিছিল।

এই ৰেফাৰেণ্ডামে বিচ্ছিন্নতাবাদী সকলক যে বাকৈকে নিশকতীয়া কৰিলে, সন্দেহ নাই। তদুপৰি, ৰাষ্ট্ৰপতি গৰবাচেভৰ প্ৰতি ছোভিয়েত জনসাধাৰণৰ অটুট আস্থাও এই ৰেফাৰেণ্ডামেৰে প্ৰকাশিত হ'ল আৰু লগতে কমেও এশমান স্বতন্ত্ৰ জাতিসত্বাৰ বিজ্ঞ-বিচাৰ উজলি উঠিল।

মৰিবৰ ঔষধ

কলিতা গাঁৱৰ মালিতাক মহেনে বিয়া কৰাইছিল, আৰু ঘৈণীয়েকক চহৰৰ বহালৈ লৈ গৈছিল। গাঁৱৰ ছোৱালী মালিতাই চহৰলৈ গৈ মস্কিলত পৰিব বুলি বহুতেই কৈছিল; কিন্তু মহেনে তথাপি লৈ গৈছিল তাইক, আৰু তাই মালিতাই চহৰতো চেৰা পৰা নাছিল।

অনন্তদেৱে ধান-চাউলৰ বেপাৰ কৰিছিল। এদিন এটা বিশেষ কামত চহৰলৈ গ'ল অনন্তই। গৈ—কামখিনি আধামান কৰোঁতেই ৰাতি হ'ল আৰু তেতিয়া কাতি হোৱাৰ মনেৰে ভিনিহীদেউ মহেনৰ ঘৰলৈকে গ'ল।

মহেনে যেনিবা মহঙীয়া লোণহে বিচাৰি পোৱা হ'ল। সি অনন্তক সাবটি ধৰি কৈ উঠিল, "কী ভাগ্য আমাৰ! আহাঁ আহাঁ অনন্ত—ভিতৰলৈ আহাঁ। আমি এতিয়াই ভাত খাবলৈ বহিম, তুমিও হাত-মুখ ধুই আমাৰ লগত বহাহি।"

হাত-মুখ ধুই খাবলৈ বহিয়েই অনন্তই কৈ উঠিল, "আৰে! তিনিখন কাঁহীত ভাত বাঢ়ি থৈছা যে—? মই আহিম বুলি তোমালোকে আগতেই জানিছিলানে কি?"

"নহয় নহয়—কথা আন।" মহেনে হাঁহি হাঁহি ক'লে, "তৃতীয় কাঁহীৰ ভাতখিনি মাৰ কাৰণে।"

এই কথা শুনি অনন্তৰ চকু কপালত উঠিল। কিয়নো—মহেনৰ মাক ঢুকাবৰ আজি ছবছৰমানেই হ'ল দেখোন।

অনন্তক অবাক হোৱা দেখি মহেনে তাক ক'লে, "ইমান আচৰিত হৈছা কিয়? মা এতিয়াও আমাৰ ঘৰতে আমাৰ

ললিত লঙ্কৰ

লগতেই আছে। মায়ে অৱশ্যে মোক দেখা নিদিয়ে; কিন্তু মালিতাক প্ৰতিদিনেই দেখা দিয়ে, কথাও পাতে তাইৰ লগত।"

"হয়নে? পিছে—এই কাঁহীৰ ভাত-আঞ্জাখিনি তেওঁ খাব কেতিয়া?" অনন্তই অন্ধি-সন্ধি পাবলৈ সুধিলে।

"আমি খোৱা-বোৱাৰ পাছত খাব। ৰাতিৰ পৰতে কেতিয়াবা তেওঁ খায়হি।"

"মই যদি এইখিনি খাওঁ—তেতিয়া তেওঁ কি খাব?" অনন্তই সুধিলে।

"ককাইদেউ, তুমি একো চিন্তা নকৰিবা। তুমি খোৱা, মই তেওঁৰ কাৰণে পুনৰ ৰান্ধিম!" মালিতাই ক'লে।

মহেন আৰু অনন্তই নানান কথা পাতি থাকিল। কথাই কথাই মহেনে ক'লে, "ভিনদেউ, মই সঁচাকৈয়ে অতি ভাগ্যৱান। এই যুগৰ ঘৈণীয়েকহঁতে জীয়া-শাহুৰেৰাকো ৰান্ধি নুখুৱায়। কিন্তু মালিতাই মোৰ স্বৰ্গী জননীকো ৰান্ধি খুওৱা হৈছে!"

ৰাতি আছুতীয়া কোঠা এটাত অনন্তক শুবলৈ দিয়া হ'ল। অনন্তই ধলপুৱাতে টোপনিৰপৰা সাৰ পালে। মহেন আৰু মালিতাই তেতিয়ালৈকো টোপনিয়াই আছিল। অনন্তই তাৰ অপাৰ কৌতূহল দমাব নোৱাৰি মহেনৰ মৃতা মাকৰ কাৰণে বাঢ়ি থৈ দিয়া কাঁহীখনলৈ চালে। একেবাৰে চাঁচি-চুকি খালে তেওঁ! বাস্তৱিকেই—এক পৰম বিস্ময়কৰ ঘটনা!

পাছ দিনা ৰাতিৰ পৰতে অনন্ত যেতিয়া বেপাৰৰ কাম-বন কৰি উভতি আহিব ধৰিছিল, তেতিয়া বাটত মহেন-মালিতাৰ লগত দেখাদেখি হ'ল। মহেনে ক'লে অনন্তক, "ভিনদেউ, ঘৰৰ চাবি আমাৰ ওচৰ চুবুৰীয়া ৰণিকহঁতৰ ঘৰত থৈ আহিছোঁ, খুজি ল'ব। এটা কথা—বেয়া নাপায় যদি—টকা চাৰিশমান লগত আছে যদি দিয়ক, মহীয়া-ধন পোৱামাত্ৰেই মই নিজেই দি থৈ আহিমগৈ।"

অনন্তই তেতিয়াই টকা চাৰিশ দিলে আৰু ভিনিহীয়েকৰ ঘৰলৈ বুলি পুনৰ খোজ ল'লে।

মহেন-মালিতাই কিছু দেৰীকৈ ঘৰলৈ উভতিল। মালিতাৰ হাতত আছিল এখন পাটৰ শাড়ী-কাপোৰ।

মালিতাই এখন চকিৰ ওচৰত থিয় হৈ ক'লে, "এয়া লোৱা, মা, তোমাৰ ল'ৰাই তোমাৰ কথাত এই পাটৰ শাড়ীকাপোৰ-খন কিনিলে। তোমাৰ পছন্দ হ'লনে?"

তাৰ পাছত মালিতাই মহেনক ক'লে, "মইহে পিন্ধিম, মোৰ যদি পছন্দ হৈছে—আৰুনো কি লাগিছে—?"

মহেনে সন্তুষ্টিৰে মূৰ দুপিয়ালে।

ভাত খোৱাৰ সময়ত মালিতাই তাইৰ শাহুৱেকৰ ভাতৰ কাঁহীখনৰ পিনে চাই চাই ক'লে, "মা, এয়ানো আপুনি কি কৈছে? আপোনাৰ জোঁৱায়েৰক কেনেকৈনো এই কথা ক'ম আমি? এই কথা ক'ব নোৱাৰিম, মা!"

"কি নো?" মহেনে সুধিলে মালিতাক।

"মাৰ কথা হ'ল—তেওঁৰ ছোৱালীজনী অকলশৰে ঘৰত থাকিবলৈ টান পাইছে। ককাইদেউ হেনো আজিয়েই যাব লাগে ঘৰলৈ।" মালিতাই হাঁহি হাঁহি ক'লে, "হাজাৰ হওক—মা বুলি কথা, মাকেহে বুজে ছোৱালীৰ বেথা।"



অনন্তৰ়া হাঁহি হাঁহিয়েই ক'লে, "মালিতা, শাহু আইক কৈ দিয়া—পৰহিমানে মই ঘৰলৈ যাম। কালিলৈ হৈ যাব মোৰ কাম।"

সেই নিশা অনন্ত বহু ৰাতিলৈকে উজাগৰে আছিল। মাজনিশা খোৱাপানী বিচাৰি ৰান্ধনি ঘৰলৈ গৈয়েই তাত এটা আচৰিত দৃশ্য দেখা পাই অনন্ত উচপ খাই উঠিল আৰু থমকি ৰ'ল।

মালিতাই তাইৰ শাহুৰেকৰ কাঁহীৰ ভাতখিনি খাই থকা দেখি অনন্তৰ চকু কপালত উঠিল। অথচ—মালিতাই অনন্ত-মহেন্ৰ লগত একেলগেই ভাত খাইছিল। অনন্তই তৎক্ষণাৎ নিশব্দে নিজৰ কোঠালৈ গৈ লাহেকৈ কোঠাৰ দুৱাৰখন জপাই দিলে।

পাছদিনা—ৰাতিৰ পৰতে ভাত খাই থাকোঁতে হঠাৎ অনন্ত বহাৰপৰা থিয় হৈ উঠিল আৰু কৈ থাকিল, "আৰে! আহক আহক আহক—আহক!"

অত্যন্ত আচৰিত হৈ, ভেবা লাগি মহেনে ক'লে, "কি হ'ল ভিনদেউ, মই তো ক'তো কাকো দেখা নাই!"

অনন্তই ক'লে, "সঁচা? সঁচাকৈয়েই কাকো দেখা নাই নে? এয়ো চোৱা—আঠবছৰৰ আগতে স্বৰ্গী হোৱা তোমাৰ দেউতাৰা—মোৰ শহুৰ দেউতা—পাইছানে দেখা?" অনন্তই পুনৰ কৈ উঠিল, "বহক, বহক দেউতা, আপোনাৰ মৰমৰ বোৱাৰীয়ে আপোনাক এতিয়াই ৰান্ধি খুৱাব। বহক।"

মালিতাৰ ভুকুঘুৰি কোঁচ খাই প ৰল। কিন্তু তাই আন এখন কাঁহীত মৃত শাহুৰেকৰ কাৰণে ভাত-আঞ্জা বাধ্যত পৰি বাঢ়ি দিবলগা হ'ল।

অনন্তই সেই কাঁহীখনৰ পিনে সামান্য সময় ধৰি চাই থকাৰ অন্তত মহেনক ক'লে, "মহেন, তোমাৰ দেউতাৰাই তোমাৰ মাৰাক লৈ যাবলৈ আহিছে।

এতিয়া তেওঁলোকৰ হেনো উৰ্ধলোকলৈ যোৱাৰ সময় হৈছে।"

পাছদিনা —বোৱাৰীপুৰাতে অনন্ত মহেনহঁতৰ ঘৰৰপৰা গুচি গ'ল।

অনন্ত গুচি যোৱাৰ অন্তত মালিতাই তাইৰ বিছনাৰ ওপৰত এখিলা কাগজ দেখা পাই সেই কাগজখিলা খুলি চালে। তাত লিখা আছিল :

'মালিতা,

তোমাক মই মোৰ নিজৰ ভনী বুলি ভাবিয়েই লিখিছোঁ যে—মহেনৰ মাতৃ-প্ৰেমক মূলধন হিচাপে লৈ. অত্যন্ত বুদ্ধি খটুৱাই যি কাম সদায় কৰি আছা. যেনেকৈ নিজৰ স্বাৰ্থ পূৰণ কৰি আছা. নিজৰ পতিক যেনেকৈ নিজেই ভাঁৰি আছা. সেইবোৰ লেতেৰামীয়ে এদিন কিন্তু তোমাকো খাব। আনকি—তোমালোকৰ ঘৰলৈ অহা আলহীহঁতৰো দেখিছোঁ নিস্তাৰ নাই—তোমাৰ ধূৰ্ত কল্পনাৰে মূৰ্ত শাহুৰেৰাৰপৰা। —মই যে শহুৰ-দেউতাৰ নাটখনৰ পাতনি তৰিছিলোঁ। কিয়— মহেনে নুবুজিলেও তুমি নিশ্চয় বুজিছিলা. কিয়নো তোমাৰ মুখ শেঁতা পৰি গৈছিল। —এইবোৰ অপকৰ্ম কৰি তুমি যে নিজৰ ভৰিত নিজেই কুঠাৰ মাৰিছা. সেই কথা বুজাৰ বয়স তোমাৰ নোহোৱা নহয়। মৃতকক লৈ এনেবোৰ ধেমালি—লেতেৰামী অতি জঘন্য কথা। এইবোৰ চিৰদিনৰ বাবে বন্ধ কৰা। নহ'লে এদিন—আনলৈ পোতা ছুলত নিজেই ফুটি মৰিবা। নিজে নিজেই মৰিবৰ ঔষধ গলত বান্ধি ল'বা।"

তিমানতে মহেনেও সাৰ পাইছিল। মহেনে মালিতাক সুধিলে, "কি হ'ল. কি ভাবি আছা ?"

"মাক—দেউতাই লৈ গ'ল। মায়ে আৰু আহিব নোৱাৰিব বুলি কৈ গ'ল।" মালিতাই মৰামুৰা যেন হৈ ক'লে।



জানন্তা মূৰ্খ

তাৰ নাম হলহ। হলহ আছিল দুখীয়া কাঠকটীয়া। নৈৰ পানী পি-থাই ভৰ দুপৰলৈকে খৰিকাঠ বুটাল যেতিয়া সি ঘৰমুৱা হ'ল—তেতিয়া নৈৰ বালিত জলমলাই থকা সৰু শিলগুটিৰ দৰে কিবা এটা বুটলি পোৱা হ'ল।

ঠিক তেতিয়াই সিফালৰপৰা সন্ধি নামৰ জহৰী এজনো তাত আহি পালেহি। হলহৰ হাতত থকা গোটা কাঁচৰ দৰে বস্তুটো পৰীক্ষা কৰাৰ ভংগীৰে চাই সন্ধিয়ে হলহক ক'লে, "এইটো মোক দিয়া, তোমাক টকা একুৰি দিম বাৰু।"

হলহৰে ভাবিলে : তেনেহ'লে—বুটলি পোৱা বস্তুটো পেলনীয়াবিধৰ নহয়। সি ক'লে, "একুৰিৰে নহব, ডেৰকুৰি টকা দিবা যদি কোৱা।"

"পাগল হৈছানে কি?" জহৰীয়ে ক'লে, "এই কাঁচৰ টুকুৰাটোৰ কাৰণে কোনেনো তোমাক ডেৰকুৰি টকা দিব হে?"

"তাতকৈ কমে মই নিদিওঁ।" হলকুৰেও থাবাংথাচ কৈ দিলে।

সন্ধিয়ে ভাবিলে : এনে নিমাওমাও ঠাইত ত্ৰিছ টকাৰে বস্তুটো কিনিবলৈ কোননো ওলাবহি? গতিকে—বেচে যদি সি মোৰ ওচৰতে বেচিব লাগিব। সন্ধিয়ে হলকুক ক'লে, "চোৱা লোভ বৰ বেয়া বস্তু! মই এই চুবুৰীয়া গাঁৱলৈ যাম আৰু এতিয়াই উভতি আহিম। পঁচিছ টকাত দিয়া যদি—ভাবি চোৱা। তাতকৈ বেছি কণা-মাৰ্কাৰ এটাও নিদিওঁ।"

আধা ঘণ্টামানৰ অন্তত সন্ধি জহৰী পুনৰ তালৈ আহিল আৰু তাত তেতিয়ালৈকো বহি থকা হলকুক ক'লে, "কি—? দিবা পঁচিছত?"

"এ—মই সেইটো বেচিলোঁৱেই নহয়? এশ টকা পালোঁ, বেচি দিলোঁ।" হলকুৰে ক'লে।

সন্ধিয়ে সেলেঙি লগা যেন হৈ ক'লে, "কিমান যে মূৰ্খ তুমি! কমেও দহ হেজাৰটকীয়া হীৰাৰ টুকুৰাটো এশ টকাত দিলা!"

"মই কেনেকৈ জানিম সেইটো কাঁচনে হীৰা? কিন্তু—তুমি দেখোন জানিও কেৱল পাঁচ টকাৰ কাৰণে বস্তুটো নোলোৱা হ'লা। মই হ'লোঁ নজনা মূৰ্খ, আৰু তুমি—জানন্তা মূৰ্খ!"

অপূৰ্ব কাহিনী

৩

[আগৰ কথা : মুনি সদানন্দই প্ৰাকৃতিক জ্ঞান প্ৰয়োগ কৰি সৃষ্টি কৰা অপূৰ্ব অগ্নি-বালক অপূৰ্বই নিৰপৰাধ গ্ৰাম্য বালক সমীৰক ব্যাঘ্ৰী গোসাঁনীৰ বাবে বলি প্ৰদত্ত হোৱাৰপৰা ৰক্ষা কৰিলে আৰু তাৰ অপহৰণকাৰী ডকাইতবিলাককো কৌশলেৰে অচেতন কৰি পেলালে। অপূৰ্বই সমীৰক তাৰ গাঁৱৰ ঘৰৰ দুৱাৰমুখত পৌছাই দিলে আৰু ডকাইতবিলাকৰ কথা ক'বলৈ তথা ডকাইতবিলাকক এতিয়াই ধৰিবলৈ ৰাজপ্ৰহৰীইতক কোৱাৰ বাবে সমীৰক বুজাই কৈ তৎক্ষণাৎ তাৰপৰা বিদায় গ্ৰহণ কৰিলে। অপূৰ্ব তাৰপৰা নোহোৱা হোৱাৰ পাছত সমীৰ দ্ৰুতগতিৰে ৰাজপ্ৰহৰীইতৰ কাষ চাপিল। আৰু তাৰ পাছত......]

সমীৰক তাত পুনৰ দেখা পায়েই গাঁৱৰ ৰাইজ ঢপলিয়াই আহিল। বহুতেই সমীৰক এই কথা সুধিলে যে তেনেহেন দুৰ্দান্ত ডকাইতহঁতৰ কবলৰপৰা সি কেনেকৈ সাৰি আহিল।

হৈ-চৈ শুনি ঘৰৰ ভিতৰৰপৰা ওলাই আহি সমীৰৰ মাকে সমীৰক বুকুত আঁকোৱালি লৈ আনন্দৰ আবেগত কান্দি কান্দি কৈ থাকিল, "আহিলি—তই আকৌ আহিলি--আহ তই বোপা মোৰ !"

গাঁওবুঢ়াই সমীৰলৈ প্ৰশংসাৰ দৃষ্টিৰে চাই চাই ক'লে, "সেই ভয়ংকৰ ভৈৰৱমলৰ কবলৰপৰা কেনেকৈনো ওলাই আহিলা বোপা! ভাবি আমি অবাকেই মানিছোঁ।"



"আমাৰ সমীৰ অতি সাহসী, ধৈৰ্য্যশীল আৰু বুদ্ধিমান ল'ৰা। তাক জব্দ কৰাৰ বুদ্ধি দুৰ্দান্ত ডকাইত ভৈৰৱমলৰো নহ'ল।" ৰাইজৰ মাজত এজনে কৈ উঠিল। আৰু লগে লগে আন কিছুমানে 'হয়, হয়' বুলি মূৰ দুপিয়াই দুপিয়াই সমৰ্থন জনালে।

সমীৰে হাত যোৰ কৰি বিনম্ৰতাৰে গাঁৱৰ ৰাইজক ক'লে, "আজি যে মই ইয়ালৈ—আপোনালোকৰ মাজলৈ—পুনৰ আহিব পাৰিছোঁ—মোৰ সাহস, ধৈৰ্য্য বা বুদ্ধিমত্তা তাৰ হেতু নহয়। এগৰাকী দিব্যপুৰুষৰ যোগেদি ঈশ্বৰেই মোক ৰক্ষা কৰিলে। আৰু ···কেৱল মই ৰক্ষা পৰিলোঁ ···তাৰে কি লাভ হল? ডকাইতবিলাকে কিমানক যে হত্যা কৰিলে তাৰ লেখ-জোখ নাই!"

গাঁওবুঢ়াই কৈ উঠিল, "ঠিক, বোপা, ঠিকেই কৈছা। তথাপি, তুমি যে সেই ভয়ানক ডকাইতহঁতৰ হাতৰপৰা সৰকি আহিব পাৰিছা—তাৰেই আমি, কিমান যে আনন্দ পাইছোঁ। এই ডকাইত বিলাকক আমি একোপধ্যেই পোনাব নোৱাৰিম। আমাৰ কথা বাদেই দিয়া—আমাৰ মহাৰাজে ইমান দিন ধৰি চেষ্টা কৰিও সিহঁতক মুঠিত ভৰাব নোৱাৰিলে।"

"যিকোনো ঘটনাৰ আৰম্ভণীও আছে, সামৰণিত আছে। এই ডকাইত বিলাকৰ অতিচাৰ-অত্যাচাৰৰো সামৰণি পৰিবৰ হৈ অহা যেন বোধ হৈছে। ইহঁতক ধৰিবলৈ হ'লে আমাৰ ৰাজ প্ৰহৰীসকলে—যিসকল ইয়াত এতিয়া টহলি ফুৰিছে—এতিয়াই হাবিলৈ যাব লাগিব। মোৰ লগে লগে গৈ থাকিলেই মই ডকাইত-বিলাকক নিশ্চয় ধৰাই দিব পাৰিম।" সমীৰে কথাখিনি গহীনভাবে ক'লে।

তাৰ পাছত সমীৰে ৰাজপ্ৰহৰীহঁতক সকলো কথা বিস্তাৰিতভাবে ক'লে।

সমীৰৰ কথা শুনি ৰাজপ্ৰহৰীহঁতে তৰধ মানিলে, গাঁৱৰ ৰাইজো ভেবা লাগিল।



গাঁওবুঢ়াই সমীৰক একাষৰীয়াকৈ মাতি নি সুধিলে, "ডকাইতবিলাক এতিয়া ক'ত আছে—সঁচাসঁচিকৈ তুমি জানানে ? আমি যদি এতিয়া তোমাৰ লগত যাওঁ—আৰু সিহঁত যদি তিমানতে তাৰপৰা পলাই যায়—তেতিয়া কি হ'ব ?"

শুনি সমীৰ কিছু চিন্তিত হোৱা যেন বোধ হ'ল।

"আৰু সিহঁত যদি সংখ্যাত বহুত হয়—আমি এইকেজন ৰাজপ্ৰহৰীয়ে কেনেকৈ কি কৰিম ?" ৰাজপ্ৰহৰীহঁতৰ দলনেতাই সমীৰক ক'লে।

"ডকাইতবিলাক এতিয়া এটা গুহাত বিষাক্ত মদ খাই অচেতন হৈ পৰি আছে। এতয়াই তালৈ আমি যাওঁ যদি—সিহঁতক সেই গুহাত অচেতন অৱস্থাতেই নিশ্চয় পাম।" সমীৰে ক'লে।

"হয়নে ?"

ৰাজপ্ৰহৰীহঁতৰ দলনেতাৰ চকুযুৰি তিৰ্বিৰাই উঠিল "সিহঁতক তাতেই পাম নে আনি ?

আৰু সেই মুহূৰ্তে সকলোটি গৈ থাকিল সেই ভয়ংকৰ ডকাইতবিলাকক পাকড়াও কৰিবলৈ।

"বোপা সমীৰ ! কালিৰেপৰাই তই একো খোৱা নাই। কেতিয়াকৈ যে পুনৰ উভতি আহিবি—তাৰ কি ঠিক ? কিবা অলপমান খাই যা।" সমীৰৰ মাকে সমীৰক ক'লে।

"কামটো সুকলমে হৈ যাওক—তেতিয়া তৃপ্তিৰে খাম। এতিয়া যদি খোৱাৰ বাবে ৰওঁ—দেৰি হৈ যাব, আৰু তিমানতে যে সিহঁতোও চেতনা ঘূৰাই নাপাব তাকো ন-দি ক'ব নোৱাৰি।" এই বুলি কৈ সমীৰে তাৰ মাকক বুজনি দিলে আৰু ডকাইত ধৰিবলৈ যোৱাৰ বাবে মাকৰপৰা অনুমতি ল'লে।

তাৰ পাছত সিহঁত একেলগ হৈ ৰাওনা হ'ল। সমীৰ আগে আগে গৈ



থাকিল, আৰু তাৰ পিছে পিছে—লাঠি-যাঠি-কোৰ আদিৰে সৈতে গৈ থাকিলে গাঁৰৰ ৰাইজ। লগতে ৰাজপ্ৰহৰীহঁত যে আছে—কোৱাই বাহুল্য।

হাবিত সোমাই সিহঁত যিমান দূৰ সম্ভৱ মেকুৰী খোজেৰে লুংলুঙীয়া বাটেদি গৈ গৈ এটা সৰু টিলাৰ ওপৰলৈ উঠিল গৈ। তাৰেপৰাই সমীৰে ৰাজপ্ৰহৰীহঁতৰ নেতাক আৰু গাঁওবুঢ়াক গুহাৰ ভিতৰত অচেতন হৈ থকা ডকাইতহঁতৰ গুহাটোলৈ আঙুলিয়াই দেখুৱালে।

ৰাজপ্ৰহৰীহঁতে হাবিৰ গছ-গছনিৰপৰা ওলমি থকা ভালেখিনি লতা কাটি লৈ, সেই লতাৰে বিষ ক্ত মদৰ ৰাগীৰে অচেতন হৈ থকা ডকাইত বিলাকক কটকটীয়াকৈ বান্ধি পেলালে।

ডকাইত-চৰ্দাৰ ভৈৰৱমলৰ মদৰ নিচা মুহূৰ্ততে নোহোৱা হ'ল, আৰু সি তাৰ চুচকুৰ আগত ৰাজ-প্ৰহৰী-নেতা, আৰু লগতে তাৰ বলিৰ পঠা সমীৰকো দেখা পাই শেঁতা পৰি ভয়ৰ কোবত ভিতৰি ভিতৰি কঁপি থাকিল।

"বদমাচ! এতিয়া আৰু কোনো ছল-ছন্দ নাই চলেগৈ। যদি তোৰ পিঠিৰ ছাল আছে বুলি ভাব—আমাৰ লগত ব'ল। যদি নাযাব—তোক টানি-চুঁচৰি লৈ যাম। তাৰ ফলত যদি মৰ—মৰিবি। মহাৰাজে আমাক একো নক'ব। কিয়নো—তোৰ মুণ্ডটোহে মহাৰাজক লাগে, তই জীয়া বা মৰা একেই কথা।"

কিন্তু তথাপি ভৈৰৱমলে নিজক কেনেবাকৈ মুক্ত কৰিবলৈ চেষ্টা কৰাত প্ৰহৰী-নেতাই সৌকা আফালি আফালি ক'লে, "হয় গৈ থাক্—নহ'লে পিঠিত সৌকাৰ কোব লৈ থাক্।"

তেতিয়া দোৰ্দণ্ডপ্ৰতাপ ডকাইত-চৰ্দাৰ ভৈৰৱমলে বাধ্যত পৰি ৰাজপ্ৰহৰীহঁতৰ নেতাৰ আদেশক্ৰমে খোজ বঢ়ালে আৰু তাৰ লগে লগে বাদবাকী ডকাইত

বিলাকেও ঢলংপসংকৈ খোজ ল'লে।

বন্দী ডকাইত বিলাকৰ বাতৰি বায়ুবেগে সকলোতে বিয়পি পৰিল। বাটৰ দুকাষত দলে দলে মানুহ-মুনিহ থিয় হৈ থাকিল ইহঁতক চাবলৈ। কিছুমানে ডকাইতবিলাকলৈ শিল-বোকা আদি দলিউৱাত সমীৰে হাত যোৰ কৰি ৰাইজক উদ্দেশি ক'লে, "চাওক—মহাৰাজে বিচাৰ কৰি দণ্ড দিবই যেতিয়া—এতিয়া আৰু ইহঁতক একো নকৰিব। আপোনালোক অনুগ্ৰহ কৰি শান্ত হওক।"

ইতিমধ্যে অকস্মাৎ ক'ৰবাৰপৰা অপূৰ্ব হৈঁপাই-কোঁপাই। আহিল লৰবি আহিয়েই সমীৰক এটা জোপোহাৰ আঁৰত মাতি নি ক'লে, "শুনা, তুমি যিমান দ্ৰুততাৰে আৰু বুদ্ধিমত্তাৰে ডকাইত বিলাকক বন্দী কৰাইছা সি অত্যন্ত প্ৰশংসাৰ যোগ্য। কিন্তু এটা কথালৈ মন কৰিবা—ইহঁত যিমানেই অসৎ নহওক—ইহঁত মানুহ তো হয়। ভোক-পিয়াহ ইহঁতৰো আছে। চাবা—এই ডকাইতবিলাকে পেট পূৰাই খাবলৈ পায় যেন। ডকাইতৰো যে পেট আছে—কথাটো সদায় মনত ৰাখিবা।"

"আপোনাৰ যি আদেশ! এই আদেশ আখৰে আখৰে পালন কৰা হ'ব—ঈশ্বৰ!" সমীৰে অপূৰ্বক নম্ৰতাৰে ক'লে।

"সমীৰ, তুমি মোক 'বন্ধু' বুলি মাতিবা। বন্ধু বুলি মাতিলেহে মই ভাল পাম।" এই বুলি কৈ অপূৰ্ব অকস্মাৎ অহাদি পুনৰ অকস্মাৎ অদৃশ্য হৈ গ'ল।

তাৰ পাছত ভৈৰৱমলক আৰু তাৰ লগৰীয়া তথা অনুচৰ ডকাইতবিলাকক মহাৰাজৰ ওচৰলৈ লৈ যোৱা হ'ল।

মহাৰাজে আটাইবিলাক ডকাইতকে মৃত্যুদণ্ডেৰে দণ্ডিত কৰিলে। ডকাইত-বিলাকৰ হাতত আৰু ভৰিতো লো-ৰ শিকলি কটকটীয়াকৈ লগাই কাৰাগাৰত



ভৰাই থোৱা হ'ল।

কাৰাগাৰৰ এচুকত এটা অতি ঠেক কোঠাত আটাইবোৰ ডকাইত তলমূৰ' হৈ বহি আছিল। চাউল যে টুটি আহিছে—সেই কথা বুজি পাই ইহঁত আটাইবোৰেই বেপৰোৱা হৈ উঠিছিল।

এটা মৃত্যুমুখী ডকাইতে কৈ উঠিল, "ভৈৰৱ, তোমাৰ মদগৰ্বিতাইহে আমাক এইদৰে খতম্ কৰিলে!"

"কিয় বে—? তোৰ, সাহস তো কম নহয়, মোক তই নাম কাঢ়ি মাতিছ! কালিলৈকে 'মালিক মালিক' বুলি হাত যুৰি ভৰিত ধৰিছিলি—কথাটো ইমান সোনকালে ইমান বেইমানীৰে পাহৰি-লিয়েই নে? মই তহঁতৰ চৰ্দাৰ, বুজিছ, চৰ্দাৰ!" ভৈৰৱমলে ভুক কোঁচাই ক'লে।

"সেইবোৰ গ'ল কথা গুচিল, তোমাৰ মালিকগিৰি ফুটিল। এতিয়া কেৱল ইমানেই জানো যে—তোমাৰ কাৰণেহে আমাৰ মৰণ।" সেই ডকাইতটোৱে দুঃসাহসীৰ দৰে ক'লে।

"বেওকুফ! চুপ্ থাক্ কৈছোঁ। আৰু এটা কথা কৈছ যদি তোৰ তেজ পি-খাম জানিছ?" ভৈৰৱমলে ফেট মেলা সাপৰ দৰে ফোচফোচাই চেপা মাতেৰে ক'লে।

"এই কষ্টখেৰা তুমি নকৰিলেও হ'ব নহয়, নামতে ভৈৰৱ—কামতে ভেকুলী।" ডাং কটা ডকাইতটোৱে ডিঠৰৈকে ক'লে, "এইখেৰা কাম ৰজাৰ চিপাহীয়েই দেখোন কৰিব পাৰিব।"

অপৰিসীম ক্ৰোধতে ভৈৰৱমল কঁপি থাকিল। তাৰ সৰ্ব দেহ এক চূড়ান্ত অপমানবিদ্ধ হ'ল যেনিবা। অন্যান্য ডকাইতেও এই ডাংকটা ডকাইতটোৰ কথাৰ একো প্ৰতিবাদ নকৰা দেখি ভৈৰৱমলৰ বুজিবলৈ বাকী নাথাকিল যে ইহঁতকেইটা তাৰ বিৰুদ্ধে একগোট হৈছে। যেনিবা—সিহঁতৰ হৈহে ই ডাং-ধৰীয়া ডাং-কটাই এইবোৰ কৈছে।

কিন্তু তথাপি ঘোৰতৰ অপমানিত-ক্রুদ্ধ ভৈৰৱমলে সিহঁতক একোৱেই নক'লে-নকৰিলে। ভৈৰৱমলে ভাবিলে: কথা—সঁচায়েই। সিহঁতে মোক অসীম শক্তি সম্পন্ন বুলি ভাবিছিল, পিতৃ জ্ঞানে নিঃচিন্ত হৈ আছিল। আৰু আজি? আজি সিহঁতে দেখিছে—মই কিমান দুৰ্বল। কোনো ক্ষমতা নাই মোৰ। ভৈৰৱ যেনিবা মৰমতে পমিল।

"তোমালোক জীৱন-মৃত্যুৰ গৰাহৰ-পৰা ওলাই আহিব খুজিছানে?" এক মধুৰ কণ্ঠই কাৰাগাৰৰ কোনোবা চুকৰপৰা সুধিলে।

আটাইকেইটা ডকাইতেই ইফালে-সিফালে বিভ্ৰান্তৰ দৰে চাবলৈ ধৰিলে; কিন্তু নিঃসীম এন্ধাৰৰ বুকুত একোকে দেখা নাপালে।

তেতিয়া ভৈৰৱমলে তাৰ সাগৰ সংকাশ কণ্ঠেৰে সুধিলে, "কোন তুমি?"

"মই·····তোমালোকক বন্দী কৰাৰ মাধ ময়েই।" সেই নেদেখা কণ্ঠই ক'লে।

"ভাল। কিন্তু—তুমি আমাক বন্দীও কৰিলা, আকৌ ৰক্ষাও কৰিবা! কিন্তু—আমাক কিয় ৰক্ষা কৰিবা কোৱাচোন? ভৈৰৱমলে সুধিলে।

"কিয়নো—কোনো অপৰাধীক মাৰি পেলোৱাত মোৰ সন্মতি নাই। অপৰাধীৰ মনৰ পৰিৱৰ্তনহে মোৰ কাম্য। আনক অত্যাচাৰ কৰা পাপপূৰ্ণ জীৱন অতিবাহিত কৰি তোমালোকে নিজেই নিজক বৰ্বাদ কৰিছা। এনে জীৱনতকৈ অপদাৰ্থ জীৱন আৰু নাই। সেইহে তোমালোকক মই বন্দী কৰিছিলোঁ। যদি আগলৈ তোমালোকে সৎ জীৱন যাপন কৰিবা বুলি কথা দিয়া, তেনেহ'লে মহাৰাজক কৈ-মেলি তোমালোকক মৃত্যুদণ্ডৰপৰা ৰেহাই দিয়াৰ চেষ্টা কৰিম।" অপূৰ্বই এন্ধাৰৰ মাজতে থিয় হৈ ক'লে।

ডকাইতহঁত কিছু সময়ৰ বাবে

নিতাল মাৰি থাকিল। তাৰ পাছত সকলোটিৰ হৈ চৰ্দাৰ ভৈৰৱমলে ক'লে, "এসময়ত মই নিজেই এই জীৱন এৰি শান্তিপূৰ্ণ জীৱনলৈ বুলি খোজ লৈছিলোঁ। কিন্তু শান্তিপূৰ্ণ জীৱনো যথেষ্ট অশান্তি-পূৰ্ণ। যি কি নহওক — তুমি যদি প্ৰকৃততেই পাৰা—তেনেহ'লে মোৰ পুত্ৰসম লগৰীয়াহঁতক ৰক্ষা কৰা, আৰু পুণ্যময় জীৱনৰ পথলৈ লৈ যোৱা।

"হে ভৈৰৱ! তোমাৰ মাজত পৰিৱৰ্তনৰ ঢৌ প্ৰকৃততেই প্ৰবাহিত হৈছে। তোমাৰ এই অনুতাপময়-অনুভৱ তথা লগৰীয়া সকলৰ প্ৰতি পিতৃসম মৰমেই হওক তোমালোকৰ সততাময় জীৱনৰ পাথেয়।" অগ্নি-বালক অপূৰ্বই ডকাইতহঁতক তথা ভৈৰৱমলক ক'লে।

*

সমীৰে অপূৰ্বৰ হৈ মহাৰাজৰ ওচৰত ডকাইতহঁতক সততাময় মুক্ত জীৱন যাপন কৰাৰ বাবে মুক্তি দিবলৈ প্ৰাৰ্থনা জনালে আৰু ক'লে, "মহাৰাজ, এই কাৰ্য্য ঈশ্বৰৰ অভিপ্ৰেত।"

মহাৰাজে হো হো কৰে হাঁহি উঠি ক'লে, "তেনেহ'লে—তুমি বোধ কৰোঁ—ঈশ্বৰৰ প্ৰতিনিধি। কি কোৱা?—ঠিক আছে, ভৈৰৱমলহঁতক ৰক্ষা কৰাটো যদি ঈশ্বৰৰে অভিপ্ৰেত—মোৰ ওচৰত প্ৰাৰ্থনা কিয়? ঈশ্বৰেই দেখোন পাৰিব। যিডাল ৰছীত ভৈৰৱমলক ফাঁচি দিয়া হ'ব—সেইডাল ৰছীত ঈশ্বৰে জুই লগাই বা অন্য কিবা কৰি চৰ্দাৰ ভৈৰৱমলক ৰক্ষা কৰিব নোৱাৰিব জানো?" মহাৰাজে ইতিকিং কৰি সমীৰক সুধিলে।

পাছত সমীৰে এই কথাখিনি অপূৰ্বক কোৱাত অপূৰ্বই গহীন মাতেৰে ভোৰ-ভোৱাই ক'লে, "ঠিক আছে, মহাৰাজে যদি ঈশ্বৰৰ শক্তি প্ৰত্যক্ষ কৰিব খুজিছে—প্ৰত্যক্ষ কৰোৱা যাব।" [আগলৈ

বিশ্বস্ততা আৰু বিজ্ঞতা

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল, আৰু ডালৰপৰা ওলমি থকা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ নীৰৱে-নিমাতে পুনৰ শ্মশানমুৰা হ'ল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰম, তোমাৰ এই অপৰিসীম ধৈৰ্য্য আৰু আৰব্ধ কৰ্মলৈ বিশ্বস্ত নিষ্ঠা জগতত অতুলনীয়। কিন্তু কেতিয়াবা কেতিয়াবা অতি বিশ্বস্ততাৰে কৰ্ম কৰিও বিজ্ঞতাৰ অভাৱত ঘোৰ অপমানৰ সন্মুখীন হোৱাৰ দুৰ্ভাগ্য নোহোৱা নহয়। এই বিষয়ে তোমাক মই এগৰাকী কৰ্মদক্ষ তথা বিশ্বস্ত গুপ্তচৰ-প্ৰধানৰ কথা ক'ম। এই কথা শুনি তুমি নিজৰ অৱস্থা তথা অৱস্থানৰ হয়তো এটা পৰিমাপ কৰিব পাৰিবা।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে :

'বেতাল-কথা'

গিৰিপুৰ ৰাজ্যৰ ৰজা ধূম্ৰকেতু আছিল অতি ক্ৰূৰ। ৰজা ধূম্ৰকেতুৰ মনত আছিল পৰ-ৰাজ্য অধিকাৰ কৰাৰ আকাংক্ষা. চুবুৰীয়া কম্বোজ ৰাজ্যখন যিকোনো ছলে-ছুতাই অধিকাৰ কৰিবলৈ ছেগ চাই আছিল।

এদিন কম্বোজৰ ৰাজকুঁৱৰীয়ে তেওঁৰ সখিয়েকহঁতৰ লগ লাগি বনবিহাৰলৈ ওলাল. আৰু তেতিয়া, ধূম্ৰকেতুৱে তেওঁৰ চিপাহী সকলক আদেশ দিলে ৰাজ-কুঁৱৰীক অপহৰণ কৰিবলৈ। চিপাহী-বিলাকে দক্ষতাৰে আদেশ পালন কৰিলে।

তাৰ পাছত ধূম্ৰকেতুৱে কম্বোজ-ৰাজলৈ দূত প্ৰেৰণ কৰিলে।

ধূম্ৰকেতুৰ দূতে কম্বোজৰ ৰাজসভাত ৰজাক ক'লে. "মহাৰাজ, আপোনাৰ পুত্ৰী আমাৰ আলহী হৈ আবদ্ধ আছে। তেওঁৰ বাবে চিন্তা নকৰিব। কাৰাগাৰত থকা সত্বেও তেওঁৰ বেছি দুখ-কষ্টৰ মাজত নাই। আপুনি যদি দহ লাখ ৰৌপ্যমুদ্ৰা প্ৰেৰণ কৰে আমালৈ. আমি আপোনাৰ পুত্ৰীক সসন্মানে মুক্তি দিম। আমাৰ ৰাজ্যক ক্ষুদ্ৰ বুলি ভাবি আক্ৰমণ কৰি ভুল নকৰে যেন। তেতিয়া কিন্তু ৰাজ-কুঁৱৰীৰ মৃতদেহটোহে দেখা পাব।

কম্বোজৰ বৃদ্ধ মহামন্ত্ৰীয়ে দূতক ক'লে, "আমি এমাহৰ ভিতৰত মুদ্ৰা প্ৰেৰণ কৰিম—মহাৰাজক ক'বাগৈ।"

মহাৰাজে সুধিলে "এতিয়া আমি কি কৰিম? সঁচাকৈয়েই ৰৌপমুদ্ৰা দিমনে?"

"আমি আমাৰ কৰ্তব্যনিষ্ঠ গুপ্তচৰ-প্ৰধান কেশৰবৰ্মাক ৰাজকুঁৱৰীৰ সা-সম্ভেদ উলিয়াবলৈ পঠাম।" মহামন্ত্ৰীয়ে ক'লে।

পাছদিনা ধলপুৱাতে গুপ্তচৰ-প্ৰধান কেশৰবৰ্মাই এজন সাধাৰণ মাছমৰীয়াৰ ভেশছন লৈ গিৰিপুৰৰ ৰাজধানী পালেগৈ।

প্ৰায় সাতদিন ধৰি বিভিন্নভাবে কেশৰ বৰ্মাই ৰাজকুঁৱৰীৰ সা-সম্ভেদ উলিয়াবলৈ চেষ্টা কৰাৰ অন্তত এদিন পোৱা হ'ল সম্ভেদ। নৈ এখনৰ পাৰত থকা অৰণ্যৰ

ভিতৰত আছে এটা জৰাজীৰ্ণ গড় ; এই গড়ৰ ভিতৰতে আছে বন্দিনী ৰাজকুঁৱৰী ।

ৰাতিৰ আঁৰ লৈ কেশৰবৰ্মা অৰণ্যলৈ সোমাল । গছ-বনৰ আঁৰে আঁৰে সেই আওপুৰণি গড়ৰ চাৰিওফালে ঘূৰি ঘূৰি চাই থাকোঁতে কোনোবা এটাই কেশৰবৰ্মাৰ মূৰত এমাৰ মাৰিলে । তাত হাতত জোঁৰ এডাল লৈ চিপাহী এটা থিয় হৈ আছিল । সেই চিপাহীটোৱে পুনৰ কেশৰবৰ্মাৰ মূৰত লাঠীৰে মাৰিবলৈ উদ্যত হোৱাত কেশৰবৰ্মাই তেওঁৰ গুপ্ত তৰোৱালেৰে সেই চিপাহীটোক ঘপিয়ালে । চিপাহীটো আৰ্তনাদ কৰি উঠিল । লগে লগে বহু সংখ্যক চিপাহী দ্ৰুত গতিৰে দৌৰি আহিল । তেতিয়া কেশৰবৰ্মাই আত্মৰক্ষাৰ বাবে মৃত চিপাহীটোৰ জোঁৰডালেৰে বনত জুই লগাই তাৰপৰা দৌৰি পলাল ।

কেশৰবৰ্মাৰপৰা এই ৰাতৰি পাই ৰজা আৰু মহামন্ত্ৰীও বিমৰ্ষ হ'ল ।

পাছদিনা, কৃতসেন নামৰ যুবা চিপাহী এজনে মহাৰাজক ক'লেহি যে মহাৰাজে অনুমতি দিয়ে যদি—তেওঁ ৰাজকুঁৱৰীক মুক্ত কৰি লৈ আহিব পাৰিব ।

কৃতসেনৰ কথাত মহাৰাজে বিন্দুমাত্ৰ গুৰুত্ব প্ৰদান নকৰিলে । তেওঁ কৃতসেনক ক'লে, "বাৰু, হ'ব, তুমি আমাৰ কেশৰবৰ্মাৰপৰা সকলো জানি লোৱাগৈ যোৱা।"

"ক্ষমা কৰিব মহাৰাজ !" কৃতসেনে



ক'লে. "কেশৰবৰ্মাদেৱৰপৰা জানিও একো লাভ নহ'ব।"

মহাৰাজ আৰু মহামন্ত্ৰীয়ে পৰস্পৰলৈ দৃষ্টি-বিনিময় কৰিলে।

তেতিয়া কৃতসেনে পুনৰ ক'লে, "তাত ইমান হৈ-হুলস্থুল, জুই লগাই অৰণ্য ধ্বংস আদি কৰাৰ পাছতো ধূম্ৰকেতুৱে ৰাজকুঁৱৰীক নিশ্চয় তাতেই বন্দী কৰি থৈ দিয়া নাই।"

এই কথা শুনি মহাৰাজ আৰু মহামন্ত্ৰীয়েও উপলব্ধি কৰিলে যে—এই যুবা চিপাহী অৰ্থাৎ কৃতসেন একেবাৰে এলা-পেচাবিধৰ নহয়। এওঁ যথেষ্ট বুদ্ধিমান।

তেতিয়া মহাৰাজে কৃতসেনক ক'লে, "ঠিক আছে. তুমি তোমাৰ মতে চেষ্টা কৰা তেন্তে। আমাৰ আপত্তি নাই।"

চাৰি দিনৰ অন্তত কৃতসেন পুনৰ মহাৰাজৰ ওচৰলৈ আহিল। ৰাজকুঁৱৰীক কৃতসেনৰ লগত দেখা নাপাই মহাৰাজে অধৈৰ্য্য হৈ কৈ উঠিল. "তুমি কেৱল নিৰ্বোধেই নহয়, এটা ভয়-পাতুৰাও হয়।"

কৃতসেনে বিনম্ৰভাৱে ক'লে, "ক্ষমা কৰিব, মহাৰাজ! এই কঠিন কাম অকলশৰে কৰিব নোৱাৰি। ধূম্ৰকেতুৱে ৰাজকুঁৱৰীক নৈ আৰু সাগৰৰ সংগমস্থলত এটা সৰু দ্বীপত অসংখ্য সশস্ত্ৰ সৈনিকৰ পহৰাৰ মাজত বন্দী কৰি ৰাখিছে। আপোনাক এই সম্বাদ নিদিয়াকৈ কেনেবাকৈ তালৈ যোৱাহেঁতেন, ধূম্ৰকেতুৱে মোকো বধিলেহেঁতেন. লগতে আমাৰ ৰাজ্যখনৰ ওপৰতো নিশ্চয় প্ৰচণ্ড আক্ৰমণ চলালেহেঁতেন।"

মহাৰাজে বিৰক্তিৰে ক'লে, "ধেৎ! তুমি যোৱাচোন!"

তাৰ পাছত মহাৰাজ আৰু মহামন্ত্ৰীৰ মাজত আলোচনা - বিলোচনা চলিল। তেতিয়াই সেনাধিপতিক তালৈ মতাই অনোৱা হ'ল।

মহামন্ত্ৰীয়ে সেনাধিপতিক কৃতসেন-



বৰ্ণিত ঘটনাৰ কথা ক'লে আৰু সুধিলে, "এতিয়া কোৱা, তেনেকুৱা দ্বীপ এটাৰপৰা ৰাজকুঁৱৰীক উদ্ধাৰ কৰাটো তোমাৰ পক্ষে সম্ভৱ হ'বনে ?"

সেনাধিপতিয়ে তৎক্ষণাৎ উত্তৰ দিলে, "নিশ্চয় সম্ভৱ। যাতে ধূম্ৰকেতুৰ মনত সন্দেহ নহয়, তাৰ বাবে—এশমান বুদ্ধিমান সৈন্যক মাছমৰীয়াৰ ভেশত সেই দ্বীপলৈ পঠোৱা হ'ব, আৰু সিহঁতেই ৰাজকুঁৱৰীক উদ্ধাৰ কৰি লৈ আহিব।"

"উত্তম !" বৃদ্ধ মহামন্ত্ৰীয়ে ক'লে, "তোমাৰ এই পৰিকল্পনা যদি সফল হয়, তাৰ পাছমুহূৰ্ততে আমি সসৈন্যে গিৰিপুৰ আক্ৰমণ কৰি ধূম্ৰকেতুক ধুমপিটন দিম।"

বৃদ্ধ মহামন্ত্ৰীৰ এই পৰিকল্পনা সফল হৈছিল। ধূম্ৰকেতুক বন্দী কৰি ফাটকত থোৱা হৈছিল। গিৰিপুৰ ৰাজ্য অধিকাৰ কৰা হৈছিল। কোৱা বাহুল্য—কম্বোজ ৰাজ্যৰ ৰাজকুঁৱৰীক মুক্ত কৰা হৈছিল।

এই বিৰাট বিজয়ৰ বাবে ৰাজ্য জুৰি উৎসৱ পতা হৈছিল। তেতিয়া মহাৰাজে মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, এনে আনন্দৰ সময়ত কেশৰবৰ্মালৈ সম্বৰ্ধনা জ্ঞাপন কৰিলে কেনে দেখে ?"

মহামন্ত্ৰীয়ে এখন্তেক ৰৈ ক'লে, "মহাৰাজ, কেশৰবৰ্মা নহয়, কৃতসেনহে সম্বৰ্ধনা পোৱাৰ যোগ্য।"

মহাৰাজেও খন্তেকপৰ ভাবি লৈ ক'লে, "আপোনাৰ বক্তব্য যথাৰ্থ।"

কৃতসেনলৈ প্ৰকাশ্যে শলাগৰ শৰাই আগ বঢ়োৱা হ'ল। কেশৰবৰ্মাক গুপ্তচৰ-প্ৰধানৰ কামৰপৰা পদচ্যুত কৰি তেওঁৰ স্থলত কৃতসেনক নিযুক্তি দিয়া হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, মহামন্ত্ৰীৰ কথাত মহাৰাজে কেশৰবৰ্মাক কেৱল সন্মান জ্ঞাপনৰপৰা বঞ্চিত কৰি ৰেহাই নিদিলে, তেওঁক গুপ্তচৰ-প্ৰধানৰ পদৰপৰা পদচ্যুতো কৰিলে। যিজন

কৃতসেনক স্বয়ং মহাৰাজে 'ভয়-পাতুৰা' বুলি কৈছিল, সেই ভয়-পাতুৰাৰ্লৈ শলাগৰ শৰাই আগবঢ়োৱাৰ উপৰিও গুপ্তচৰ-প্ৰধান হিচাপেও নিযুক্তি দিলে। মহাৰাজৰ এইবোৰ কাৰ্য্য অসমীচীন তথা অনুচিত নাছিলনে ? —মোৰ কথাৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথাটো ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "কেশৰবৰ্মাই আত্মৰক্ষা কৰিবলৈ অৰণ্যত জুই লগাই দিছিল। কিন্তু তেওঁ এটা কথা এবাৰলৈকো ভাবি চোৱা নাছিল যে—এই জুইত আনকি ৰাজ-কুঁৱৰীও পুৰি মৰিব পাৰে। কেশৰবৰ্মাৰ আত্মৰক্ষায়েইহে আত্মহননৰো বাট মুকলি কৰিছিল। জীৱন পণ কৰিও ৰজা, ৰাজ্য, ৰাজকুঁৱৰীক ৰক্ষা কৰাৰ পৰিৱৰ্তে কেশৰ-বৰ্মাই কেৱল নিজকহে ৰক্ষা কৰাত ব্যাপৃত হৈছিল। কেশৰবৰ্মাৰ অবিবেচিত কাৰ্য্যৰ ফলত ধূম্ৰকেতুৱে ৰাজকুঁৱৰীক অতি অগম্য ঠাইলৈ নিৰ্বাসিত কৰিছিল, আৰু পৰিস্থিতি অত্যন্ত জটিলহে হৈছিল। কিন্তু কৃতসেনে ৰাজকুঁৱৰীৰ সা-সন্তেদ জানিও কোনো প্ৰকাৰৰ হঠকাৰী চেষ্টাৰে উদ্ধাৰ-প্ৰচেষ্টাক বিঘ্নিত নকৰাকৈ পৰামৰ্শৰ বাবে মনে মনে উভতি আহি যি বিবেচনাপূৰ্ণ কাৰ্য্য কৰিছিল, এতিয়াৰ বিজয়-উৎসৱ সেই কৃতসেনৰ—কৃতকাৰ্য্যৰ সুন্দৰ পৰিণতি। গতিকে—কৃতসেনলৈ শলাগৰ শৰাই আগবঢ়াই, তেওঁক গুপ্তচৰ-প্ৰধানৰ পদত নিযুক্ত কৰি কম্বোজৰ মহাৰাজে অসমীচীন তথা অনুচিত কাৰ্য্য কৰিছিল বুলি ক'ব নোৱাৰি।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[ডঃ তাটিচেৰ্লাৰ ৰচনা অৱলম্বনত]



আচৰিত বিচনী

কোনোবা দেশত এগৰাকী বিচনী-বিলাসী ৰজা আছিল। এই ৰজাৰ প্ৰাসাদত তৰহে তৰহে নানান দেশৰ নানান বৰণৰ বিচনী আছিল।

এদিন ফেৰিৱলা এটাই সুৰ লগাই কৈ উঠিল, "পাংখা লগে—পাংখা! পাংখা মানে —বিচনী—বিচনী মানে বতাহৰ খনি। বৰ আচৰিত বিচনী—দাম মাত্ৰ পঞ্চাছ ৰূপ। ল'বনে কি ক'—ব। আচৰিত—"

ৰজাই মানুহজনক হাত দাঙি ৰখাই ক'লে, "কিনো ইমান আচৰিত বিচনী? তোমাৰ বিচনীৰ বিশেষত্ব কি? ইমান দামেইবা খুজিছা কিয়?"

"মহাৰাজ!" বিচনীৱলাই বিনম্ৰভাৱে ক'লে, "ইমান গুণ থকা বিচনীৰ দাম মাত্ৰ পঞ্চাছটা ৰূপ কেনেকৈনো বেছি বুলি কওঁ? এই বিচনী কমেও এশ বছৰ টিকিব।"

"আঁ! অ'! হ'ল বাৰু, বুজিলোঁ। কিন্তু দেখাত দেখোন একেবাৰে সাধাৰণ—অসপো। ইফাল-সিফাল দেখা নাই।"

"মহাৰাজ! আপোনাক মই গোলামে ভাঁৰিব পাৰোঁনে? মোৰ ইমান সাহ-পিত হ'ব পাৰেনে মহাৰাজ? মই আকৌ কৈছোঁ, এই বিচনী এশ বছৰতকৈয়ো অধিককাল টিকিব।" বিচনীৱলাই ক'লে।

পঞ্চাছ ৰূপ দি মহাৰাজে বিচনী এখন ল'লে আৰু ক'লে, "এই বিচনীৰ আচৰিত গুণ কি আছে মই চাম। তুমি এমাহমানৰ পাছত পুনৰ এবাৰ আহিবাচোন।"

"যি আজ্ঞা, মহাৰাজ! মহাৰাজ এই অসাধাৰণ আচৰিত বিচনীৰে কেনেকৈ বিচিলে কেনেকুৱা কি হয়-নহয় আকৌ

অনুপকিশোৰ ভৰালী

শুনি লওক—শুনি লওক এই বিচনীৰে কেনেকৈ বিচিব লাগিব—"

শুনি ৰজা গৰম হৈ উঠিল। তেওঁ ক'লে, "কি! বিচনীৰে কেনেকৈ বিচিব লাগিব—তাকো জানি ল'ব লাগিব! বিচি থকাটো কিনো মহান বিদ্যা?

তাৰ পাছত মহাৰাজে বিছনাত শুই নতুন বিচনীৰে বিচি থাকিল। কিন্তু বহু সময় ধৰি বিচিও এই বিচনীৰ কোনো বিশেষত্ব ধৰা নপৰিল তেওঁৰ চকুত।

কেইদিনমানৰ পাছত এদিন এই নতুন বিচনীৰে বিচি থাকোঁতে বিচনীৰ পাতবিলাক এটা এটাকৈ খহি পৰিল, কেৱল নালডালহে হাতত থাকিল।

কিন্তু ৰজাই তেতিয়াহে তৰধ মানিলে, যেতিয়া—এমাহৰ অন্তত বিচনীৱলাই সঁচাসঁচিকৈ উপস্থিত হ'লহি। ৰজাই ভাবিলে: ইয়াৰ সাহস তো কম নহয়!

খঙতে জুইহেন হৈ ৰজাই বিচনীৱলাক ক'লে, "তুমি দেখিছোঁ এটা নোমটেঙৰ মানুহ!" ৰজাই বিচনীৰ বিবৰণ দিয়াৰ অন্তত তাক পুনৰ ক'লে, "তুমি তোমাৰ আচৰিত বিচনী চাই আচৰিত নহ'বা যেন।" এই বুলি কৈ জহি-খহি পৰা বিচনীখন বিচনীৱলাৰ আগত থৈ দিলে।

কিন্তু বিচনীৱালাই অলপো বিচলিত নহৈ ক'লে, "মহাৰাজ, মোক ক্ষমা কৰক। এই বিচনী যে আচৰিত বিচনী—আপোনাক আগতেই মই কৈছিলোঁ। আপুনি ইয়াক সাধাৰণ বিচনী ভাবি ব্যৱহাৰ কৰাতহে এই দশা হ'ল!"

"তেনেহ'লে—কেনেকৈ না এই বিচনী ব্যৱহাৰ কৰিব লাগে?" ৰজাই সুধিলে।

"মহাৰাজ!" বিচনীৱালাই ক'লে, মোৰ বিচনী—চিৎ হৈ শুই হাতেৰে মাত্ৰ নালডালত ধৰি থাকি—নিজৰ মূৰটো নিজেই লৰাই থাকিব লাগে।" ৰজাই মজা পাই বিচনীৱলাক পুৰস্কৃত কৰিলে।

তেওঁসৱৰ স্বপ্নৰ ভাৰত

সমৰ্পিত চিন্তা

ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ বিভিন্ন ক্ষেত্ৰত অসংখ্য খ্যাতনামা নেতৃত্বৰ অভ্যুদয় ঘটিছিল। দেশৰ সৰ্বসাধাৰণৰ শ্ৰদ্ধেয় নেতৃবৰ্গৰ অন্যতম প্ৰধান নেত্ৰী আছিল সৰোজিনী নায়ডু।

কবি সৰোজিনী নায়ুৰ পিতৃদেৱৰ নাম অঘোৰনাথ চট্টোপাধ্যায়। তেওঁ হায়দ্ৰাবাদৰ নিজাম কলেজৰ অধ্যক্ষৰূপে কৰ্মৰত আছিল। সৰোজিনী ১৮৭৯ চনত হায়দ্ৰাবাদত জন্মগ্ৰহণ কৰিছিল। সৰুৰেপৰাই তেওঁ আছিল কবি ভাবাপন্ন। তেতিয়াৰ দিনৰ খ্যাতনামা ব্যক্তি ডঃ গোবিন্দৰাজুলু নায়ডুৰ সৈতে সৰোজিনী অসবৰ্ণ বিবাহত আবদ্ধ হৈছিল। ১৯২৫ চনত সৰোজিনীক ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত কৰা হৈছিল।

সৰোজিনীয়ে ভাৰতৰ চুকে-কোণে ভ্ৰমণ কৰোঁতে ভাৰতৰ পূৰ্ব বৈভৱ তথা গৌৰৱ সোঁৱৰাই দিছিল আৰু কৈছিল: "...পৰ্বত আৰু নক্ষত্ৰক সাক্ষী কৰি আমি মিলিজুলি আগ বাঢ়িম। আমাৰ কথা আৰু কাৰ্য্য, আমাৰ ক্ষমতা আৰু সামৰ্থ্য, ভাৰত মাতৃলৈ সমৰ্পিত হওক।"

আমি জানোনে?

১. আমাৰ দেশৰ ক'ত—সন্তান জন্ম হোৱাৰ লগে লগেই সেই সন্তানক চিকাৰী বা চিপাহী কৰাৰ প্ৰথা বিদ্যমান?

২. পৃথিৱীৰ আটাইতকৈ ওখ জলপ্ৰপাত কোনটো আৰু ক'ত অৱস্থিত?

৩. ভেনিছ নগৰৰ গণ্ডোলা নামৰ নাও আমাৰ দেশৰ ক'ত ব্যৱহৃত হয়?

[উঃ ৩৬ পৃঃ]

মহালক্ষ্মী

দেৱতা আৰু দানৱসকলে মিলি বাসুকী নামৰ সৰ্পকে মন্থন-ৰজ্জু বনাই অমৃত বিচাৰি ক্ষীৰসাগৰ মন্থন কৰিছিল। প্ৰথমতে ক্ষীৰ-সাগৰ মথি তেওঁলোকে হলাহল নামৰ অতি উগ্ৰ বিষ পোৱা হ'ল। পাছত—অমৃত উত্থিত হোৱাৰ আগতে বহুতো আশ্চৰ্য্যময় বস্তুৰ লগত ক্ষীৰসাগৰৰপৰা উত্থিতা হ'ল––মহালক্ষ্মী।

ক্ষীৰসাগৰ-তনয়া লক্ষ্মীদেৱী হ'ল জগতৰ মানৱকুলৰ সম্পদৰ অধিষ্ঠাত্ৰী দেৱী। ধন-ধান, দ্ৰব্য-সামগ্ৰী, অচঞ্চল ধৈৰ্য্য, জ্ঞান-সম্পদ আৰু সুখ-শান্তিৰো অধিষ্ঠাত্ৰী দেৱী মহালক্ষ্মী—এই বিশ্বাস জনসমাজত গভীৰভাৱে প্ৰোথিত।

মহালক্ষ্মী—হ'ল শ্ৰীমহাবিষ্ণুৰ ধৰ্ম পত্নী। এই কাৰণে মহাবিষ্ণুৰ অন্য নাম হ'ল শ্ৰীপতি। ভক্তসৱে লক্ষ্মীদেৱীক বহু ভাবে পূজে। বৈকুণ্ঠধামত স্বৰ্গলক্ষ্মী, ঘৰত গৃহলক্ষ্মী, কৃষকাৰ ধান্যলক্ষ্মী, ব্যৱসায়ীৰ বাণিজ্যলক্ষ্মী আৰু বীৰ-বীৰাংগণাৰ বিজয়লক্ষ্মী ৰূপে মহালক্ষ্মী আৰাধ্যা হৈ আহিছে। মহালক্ষ্মীৰ প্ৰিয় বস্তু পদুম।

সম্বাদ-বি-সম্বাদ

বালিকা-প্ৰতিভা

সম্প্ৰতি মৌসুমী চ্যাটাৰ্জি নামৰ আঠ বছৰীয়া বাঙালী ছোৱালী এজনীয়ে মাধ্যমিক পৰীক্ষা দিয়াৰ কথা সকলোতে জনাজাত হৈ পৰিছে। প্ৰকৃততে মৌসুমীৰ বয়স হ'ল আঠ বছৰ সাত মাহ। সুনীতা কচাৰু সাৰস্ত নামৰ মহাৰাষ্ট্ৰৰ আন এজনী ছোৱালীয়ে ভৰিৰ আঙুলিৰে পৰীক্ষাৰ উত্তৰপত্ৰ লিখি বিস্ময়ৰ সৃষ্টি কৰিছে। এই ছোৱালীজনীৰ এখনো হাত নাই। উত্তৰপত্ৰ লিখিবলৈ সুনীতাক আধা ঘণ্টা সময় অধিককৈ দিয়া হৈছিল ; কিন্তু তাই তাইৰ পৰীক্ষাৰ উত্তৰ অন্যান্যৰ দৰে তিনি ঘণ্টাতে সমাপ্ত কৰিলে !

দেখ দেখ

আমেৰিকাৰ বাৰক্ৰাস্ট এলিমেন্টাৰি স্কুলত আন্তোনি অ্যাণ্ডাৰ্সন নামৰ আঠ বছৰীয়া ছাত্ৰ এটি আছে। এবাৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্ব গ'ল সেই বিদ্যালয় পৰিদৰ্শনলৈ। কিন্তু আন্তোনি অ্যাণ্ডাৰ্সনে এইজন জৰ্জ বুশ্বেই যে ৰাষ্ট্ৰপতি—সেই কথাত পতিয়ন নোযোৱা হ'ল। ৰাষ্ট্ৰপতি জৰ্জ বুশে—তেৱেঁই যে আমেৰিকাৰ ৰাষ্ট্ৰপতি বুশ্ব—সেই কথা বিশ্বাস কৰাবলৈ তেওঁৰ মোটৰ ড্ৰাইভিং লাইচেন্স দেখুৱালে, ৰাষ্ট্ৰপতিৰ গাড়ীখনো দেখুৱালে ; তথাপি সেই ল'ৰাটিয়ে অবিশ্বাসৰ দৃষ্টিৰে জৰ্জ বুশ্বলৈ চাই থাকিল। তাক আৰু দেখ দেখ প্ৰমাণ লাগে !

সাহিত্যৰ ফুলনিত

১. ভাস্কৰে স্বয়ং-ৰচিত গ্ৰন্থ এখনৰ প্ৰথম অধ্যায় তেওঁৰ জীয়েকৰ নামেৰে নামকৰণ কৰিছিল। সেই ছোৱালীজনীৰ নাম কি? গ্ৰন্থখনৰ নাম কি?

২. সাহিত্যত ন'বেল-বঁটা বিজয়ী প্ৰথমজন ৰুশ্ সাহিত্যিক কোন?

৩. চি. ভি. ৰামনে এখন গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত ফুলৰপৰা প্ৰেৰণা লাভ কৰিছিল। সেই গ্ৰন্থখনৰ নাম কি?

৪. 'দি লাস্ট ম্যান ইন্ ইউৰোপ'—নামৰ গ্ৰন্থখন প্ৰথমতে আন এটা নামত প্ৰকাশিত হৈছিল। সেই নামটো কি আছিল? লেখক কোন?

৫. মেৰি এন্ ইভান্স. এৰিক ক্লেয়াৰ—দুজন বিখ্যাত লেখকৰ প্ৰকৃত নাম। কিন্তু লেখকৰূপে স্বীকৃতি পোৱাৰ পাছত এওঁলোক কি নামেৰে খ্যাত হৈছিল?

উত্তৰ

জানোনে?

১. কৰ্ণাটক ৰাজ্যৰ কুৰ্গ অঞ্চলত পুত্ৰ-সন্তানৰ জন্ম হ'লে—শিশুটিৰ হাতত ক্ষুদ্ৰ আকাৰৰ ধনু আৰু কাঁড় থৈ বন্দুকেৰে গুলীউৰা হয়।

২. কৰ্ণাটক ৰাজ্যৰ 'জোগ জলপ্ৰপাত', ২৫৩ মিটাৰ উচ্চতাৰপৰা পানী তললৈ পৰে।

৩. কাশ্মীৰৰ 'ডাল হ্ৰদ'ত থকা 'শিকাৰা' নামৰ নাও।

সাহিত্য

১. লীলাৱতী ; সিদ্ধান্ত শিৰোমণি।

২. মিখাইল শ্বোলোকভ, ১৯৬৫ চনত।

৩. ৰঙৰ তথা বৰ্ণৰ বিষয়ে ৰচিত গ্ৰন্থ—'দি ফিজিয়লজি অভ্ ভিঝন্'।

৪. ১৯৮৪, জৰ্জ অৰওৱেল।

৫. জৰ্জ ইলিয়ট. জৰ্জ অৰওৱেল।

জগতৰ পৌৰাণিক কাহিনী (৫)

ভৱিষ্যদ্বাণী সফল হ'ল

[যোৱা সংখ্যাৰ পিছৰপৰা]

আৰ্গোছৰ ৰজা এক্রিছিউছে কেনেকৈ প্ৰাণ-ভয়ত ভীত হৈ তেওঁৰ জীয়েকক তাইৰ শিশুসন্তানটিৰে সৈতে সমুদ্ৰৰ বুকুলৈ উটুৱাই দিছিল, আৰু তাৰ পাছত এই শিশুসন্তানটিয়ে ডাঙৰ হৈ মেডুছা ৰাক্ষসীক বধি এণ্ড্ৰোমেডাক বিবাহ কৰাইছিল, সেই কথা পঢ়িছেই।

পাৰ্চিউছে এণ্ড্ৰোমেডাক বিয়া কৰোৱাৰ পাছ মুহূৰ্ত্ততে যুৱৰাজ ফিনিউছ আৰু তেওঁৰ বন্ধুইঁতে এণ্ড্ৰোমেডাক অপহৰণ কৰিবলৈ চেষ্টা কৰাত পাৰ্চিউছে সিহঁতক মেডুছাৰ মূৰ দেখুৱাই কঠিন শিলৰ স্থিৰ মূৰ্তিলৈ ৰূপান্তৰিত কৰি পেলালে।



তাৰ পাছত্ পাৰ্চিউছ চেৰিফাছলৈ গ'ল। তাত তাৰ মাক আছিল। কিন্তু চেৰিফাছৰ ৰজাই পাৰ্চিউছৰ মাকক খেদি দিয়াত পাৰ্চিউছৰ মাক তেতিয়া পলাই যোৱাৰ বাবে দৌৰি আছিল। পাৰ্চিউছে চেৰিফাছৰ ৰজাকো মেডুছাৰ মূৰ দেখুৱাই শিললৈ ৰূপান্তৰিত কৰিলে।



তাৰ পাছত পাৰ্চিউচে মেডুছাৰ মূৰৰ সহায় আৰু নল'ব বুলি সিদ্ধান্ত ল'লে। পাৰ্চিউছে মেডুছাৰ মূৰটো দেৱী মিনাৰ্ভালৈ উছৰ্গা কৰিলে আৰু তেতিয়াৰপৰা তাৰ নিজ বাহুৰ শক্তিত আস্থাৱান হৈ তাৰ জনমভূমি আৰ্গোছলৈ বুলি ৰাওনা কৰিলে।

পাৰ্চিউছে তাৰ মাতৃক আৰু পত্নী এণ্ড্ৰোমেডাক লগত লৈ এখন সুদৃশ্য নাৱত উঠি পুনৰ আৰ্গোছলৈ গ'ল। তিমানতে পাৰ্চিউছৰ নাম-খ্যাতি আৰ্গোছলৈকো বিয়পি পৰিছিল।





পাৰ্চিউছৰ নাওখনে লাৰিছাৰ তীৰত নঙৰ পেলালেগৈ। পাৰ্চিউছলৈ মহা সমাৰোহৰে অভ্যৰ্থনা জ্ঞাপন কৰা হ'ল। সেই সময়তে লাৰিছাৰ ৰজাই তেওঁৰ স্বৰ্গী পিতৃৰ প্ৰতি সন্মান প্ৰদৰ্শন উপলক্ষ্যে এখন উৎসৱ পাতিছিল। এই উৎসৱত পাৰ্চিউছেও কিছুমান ক্ৰীড়াত অংশগ্ৰহণ কৰিবলৈ সন্মত হ'ল।

ক্ৰীড়া আৰম্ভ হ'ল আৰু এসময়ত পাৰ্ছিউছে এটা আওঠিৰ নিচিনা শিলৰ চক্ৰ দূৰলৈ নিক্ষেপ কৰিলে, আৰু দুৰ্ভাগ্যক্ৰমে সেই বিৰাট গধুৰ শিলৰ চক্ৰটোৱে ক্ৰীড়া চাবলৈ অহা দৰ্শক এজনৰ মস্তকত আঘাত কৰিলেগৈ।

এই চক্ৰৰ আঘাততে সেই দৰ্শকজনৰ মৃত্যু হ'ল। এই দৰ্শকজনেই আছিল আৰ্গোছৰ ৰজা এক্ৰিছিউছ, পাৰ্ছিউছৰ ককাক। পাৰ্ছিউছৰ প্ৰত্যাৱৰ্তনৰ বাতৰি পাই তেওঁ পাৰ্ছিউছৰ সন্মুখীন নহ'বলৈ কাকো নজনোৱাকৈ আন ক'ৰবালৈ গৈ আছিল। কিন্তু এইদৰে অভাৱিতভাবে ভৱিষ্যদ্বাণী সফল হৈছিল।

এই দুখলগা ঘটনাৰ পাছত পাৰ্ছিউছ আৰ্গোছলৈ গ'ল; কিন্তু ককাকৰ হত্যাকাৰী হোৱাত পাৰ্ছিউছ বিষাদগ্ৰস্ত হৈ থাকিল। যিজন নাতিয়েকক ৰজা এক্ৰিছিউছে সিংহাসনত অধিষ্ঠিত নকৰিব বুলি ভাবিছিল, সেইজন অনভিপ্ৰেতৰ হাততে তেওঁৰ মৃত্যু হ'ল।



পাৰ্ছিউছে মাইছেনাল নামৰ নগৰ এখন প্ৰতিষ্ঠা কৰিছিল। মাইছেনালক ৰাজধানী হিচাপে লৈ তেওঁ তাৰপৰা সুদক্ষভাবে ৰাজ্য শাসন কৰিছিল। যোগ্যতাসম্পন্ন এণ্ড্ৰোমেডা আছিল তেওঁৰ ৰাণী। পাৰ্ছিউছ আছিল ন্যায়বন্ত তথা অত্যন্ত জনপ্ৰিয় ৰজা।

পাৰ্ছিউছ লোকান্তৰিত হোৱাৰ অন্তত প্ৰজাবৰ্গই পাৰ্ছিউছক দেৱতাজ্ঞানে পূজিছিল। প্ৰজাবৰ্গই পাৰ্ছিউছৰ এক বিৰাট মূৰ্তি সজাইছিল। সুদীৰ্ঘকাললৈ ৰজা পাৰ্ছিউছৰ এই মূৰ্তি আছিল সেই অঞ্চলৰ এক বিৰাট আকৰ্ষণ।



পাৰ্ছিউছৰ অন্যতম পুত্ৰ পেৰছিউছে পাৰ্ছিয়া তথা পাৰস্য ৰাজ্যৰ প্ৰতিষ্ঠা কৰিছিল। আজিৰ দিনৰ পাৰস্যবাসীক পেৰছিউছৰ বংশধৰ বুলি কোৱা হয়। পেৰছিউছ-ৰচিত বহু কাব্য-সাহিত্য আছে। আমাৰ ভাৰতৰ শ্ৰীঅৰবিন্দয়ো 'পেৰছিউছ দ্য ডিলিভাৰাৰ' অৰ্থাৎ— 'পৰিত্ৰাতা পেৰছিউছ' নামৰ নাটক এখন ৰচনা কৰিছিল।

মিলন-মন্ত্ৰী

বহুকালৰ আগৰ কথা। তেতিয়া কোশল নামৰ ৰাজ্যত চিত্ৰধ্বজ ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ মন্ত্ৰীৰ নাম সুবুদ্ধি; কিন্তু কাম-বনত আছিল নামৰ বিপৰীত। তেওঁৰ মন্ত্ৰী মহোদয় যে দুৰ্নীতিসম্পন্ন, ৰজা চিত্ৰধ্বজে সেই কথাটো পৰিষ্কাৰভাৱে জ্ঞাত হৈ নতুন মন্ত্ৰী পাতিবলৈ যো-জা কৰি থাকিল।

বহুদিন ধৰি মন্ত্ৰীৰ যোগ্যতাসম্পন্ন মানুহ এজন বিচাৰি থকাৰ অন্তত এদিন তেওঁ এখন অখ্যাত গাঁৱত বিদ্যাশ্ৰম চলাই থকা মিলন নামৰ আশ্ৰম-অধ্যক্ষজনকে নতুন মন্ত্ৰীৰূপে নিযুক্ত কৰাৰ দিহা কৰি মিলনলৈ এখন পত্ৰ প্ৰেৰণ কৰিলে।

পত্ৰ পাঠ কৰি মিলন তৎক্ষণাৎ ৰাজধানীলৈ বুলি ৰাওনা হ'ল। ৰাজধানী পাই, মহাৰাজ চিত্ৰধ্বজক লগ কৰি মিলনে ক'লে, "মহাৰাজ, বিদ্যাশ্ৰম পৰিচালনা কৰি মই বৰ তৃপ্তি অনুভৱ কৰোঁ। ৰাজনীতি মই বুজি নাপাওঁ, আৰু মন্ত্ৰী হোৱাৰ যোগ্যতা বা ইচ্ছা—এটাও মোৰ নাই। গতিকে মহাৰাজ—"

মহাৰাজ চিত্ৰধ্বজে মিলনক ক'লে, "আপোনাৰ যে পদ যশ-খ্যাতিৰ মোহ নাই—উপলব্ধি কৰিছোঁ। মহামন্ত্ৰীৰ পদত আপোনাৰ নিৰ্চিনা ব্যক্তিয়েই যোগ্য। আমাৰ সুবুদ্ধি মন্ত্ৰীৰ মনত দুৰ্বুদ্ধিয়ে বাহ লোৱাতহে তেওঁক পদচ্যুত কৰিবলৈ নিশ্চয় কৰিছোঁ। গতিকে—দেশৰ সমূহ প্ৰজাৰ মংগলাৰ্থেই আপুনি মহামন্ত্ৰীৰ পদ গ্ৰহণ কৰিব—এই আশা কৰাতদোষ নাই। আপুনি মন্ত্ৰীৰূপে যোগদান কৰি প্ৰথম কাৰ্য্য

হিচাপে—অসৎ অনৈতিক ৰাজকৰ্মচাৰী-বিলাকক কৰ্মচ্যুত কৰিব লাগিব।"

মন্ত্ৰীপদ গ্ৰহণ কৰাৰ পাছদিনাই মিলনমন্ত্ৰীয়ে পদচ্যুত মন্ত্ৰী সুবুদ্ধিক মতাই অনাই তেওঁৰ দোষ-ত্ৰুটি তথা দুৰ্নীতিৰ বিষয়ে প্ৰশ্ন কৰাত সুবুদ্ধিয়ে কৈফিয়ৎ হিচাপে ক'লে, "ভুল কিছু হোৱা নাই বুলি নকওঁ, কিন্তু এইবোৰ ভুলৰ বাবে জগৰীয়া আছিল মোৰ তলতীয়া কৰ্মচাৰী-হঁত। কিয়নো—স্বয়ং মহাৰাজৰ বাবে কিছুমান বিশেষ কামৰ বাহিৰে অন্যান্য কাম-কাজ সিহঁতেই কৰিছিল।"

সুবুদ্ধিৰ তলতীয়া কৰ্মচাৰীৰ সংখ্যা আছিল এশজন। মিলনমন্ত্ৰীয়ে একে একে প্ৰায় আটাইবিলাকক মতাই অনাই সোধাত সিহঁতে ক'লে যে—সুবুদ্ধিয়ে যি যেনেকৈ কৰিবলৈ কৈছিল—কৰিছিল।

"বাৰু, মন্ত্ৰী মহোদয়ৰ দুৰ্নীতিৰ বা ভ্ৰষ্টাচাৰৰ বিষয়ে তোমালোকৰ হাতত কিবা প্ৰমাণ আছেনে?" মিলনে সুধিলে ৰাজকৰ্মচাৰী কিছুমানক।

"বহুত প্ৰমাণ আছে। সুবুদ্ধিৰ সতৰ-নতৰৰ শই শই প্ৰমাণ আমি দিব পাৰিম।" এজন ৰাজকৰ্মচাৰীয়ে ক'লে।

"ঠিক আছে। কালিলৈ আমি এই বিষয়ে কথা হ'ম। তেতিয়া তোমা-লোকৰপৰা সুবুদ্ধিৰ দুৰ্বুদ্ধিমূলক কথাখিনি মই জানি ল'ম।" মিলনে ক'লে।

তাৰ পাছত সুবুদ্ধিক লগত লৈ মিলনে ৰজাক ক'লেগৈ, "মহাৰাজ, সুবুদ্ধি ডাঙৰীয়াই তেওঁৰ তলতীয়া কৰ্মচাৰীহঁতক শাসন কৰিছিল; কিন্তু তেওঁলোকৰ সৈতে অন্তৰংগতাৰ কোনো সা-সম্পৰ্ক নাছিল। গতিকে—সুবুদ্ধি ডাঙৰীয়া মন্ত্ৰীপদৰপৰা আঁতৰি যোৱাৰ বাতৰি পায়েই কৰ্মচাৰী-হঁতে কুঁজৰ মূৰত কিল মাৰিব ধৰিছিল।"

"এওঁক কেনেকুৱা দণ্ড বিধান কৰিবা?" ৰজাই সুধিলে।

"এই কথা—কালিলৈ স্থিৰীকৃত হ'ব,

মহাৰাজ!" মিলনে ক'লে।

পাছদিনা—ৰাজকৰ্মচাৰীহঁতক সে ধ-পোছ কৰাৰ সময়ত স্বয়ং মহাৰাজো মিলনমন্ত্ৰীৰ সৈতে একেটা কক্ষতো বহি আছিল। তেওঁৰ উদ্দেশ্য—মিলনমন্ত্ৰীৰ বিচাৰ-পদ্ধতি চাব তেওঁ!



এজন এজনকৈ কৰ্মচাৰী আহি থাকিল। মিলনে কৰ্মচাৰী এজনক ক'লে, "আগৰ সুবুদ্ধি মন্ত্ৰী ডাঙৰীয়াৰ বিষয়ে যি জানা, কোৱা।"

লগে লগে ৰাজকৰ্মচাৰীজনে সুবুদ্ধিৰ কুবুদ্ধিৰ বকলা মেলিলে। মিলনে হাত দাঙি কৰ্মচাৰীজনক ৰখাই ক'লে, "এইবোৰ মই শুনিবলৈ নিবিচাৰোঁ। যদি সুবুদ্ধিৰ সমৰ্থনত তেওঁৰ ভাল দিশৰ কথা—অৰ্থাৎ গুণৰ কথা কিছু ক'ব পাৰা, তাকে কোৱা, নতুবা যোৱা।"

কৰ্মচাৰীজন ভেবা লাগিল, একো ক'ব নোৱৰা হ'ল আৰু বিচাৰ-কক্ষৰপৰা ওলাই গুচি গ'ল।

এইদৰে—এজন এজনকৈ কৰ্মচাৰীহঁত আহিল, কিন্তু সুবুদ্ধিৰ সমৰ্থনত একো ক'ব নোৱাৰি গুচি গ'ল। মাত্ৰ দহজন কৰ্মচাৰীয়ে-কৈছিল যে—হয়, সুবুদ্ধি মন্ত্ৰী ডাঙৰীয়াৰ মাজত দোষৰ লগত গুণো কিছুখিনি নথকা নাছিল। এওঁৰ প্ৰধান গুণ আছিল—এওঁ যি কাম কৰাব বুলি ভাবিছিল—যেনেকৈয়েই নহওক কৰোৱাইহে এৰিছিল। মুখৰ মেহাৰেৰেই হওক বা ডাবি-হুঁকিৰেই হওক—কৰাবলগীয়াখিনি কৰাই লৈছিল।

মিলনমন্ত্ৰীয়ে সুবুদ্ধিৰ গুণৰ কথা কোৱা দহজন কৰ্মচাৰীক চাকৰিত নিযুক্ত ৰাখি বাদবাকী নবৈবজনক বৰ্খাস্ত কৰাৰ দিহা ল'লে। আৰু লগতে—সুবুদ্ধিক ৰাজ্যৰ কাৰাগাৰৰ অন্যতম উচ্চ বিষয়া হিচাপে মকৰল কৰাৰো দিহা কৰিলে। কাৰাগাৰত সুবুদ্ধিয়ে ফাটকিয়ালহঁতক সদা-সৰ্বক্ষণ চোৰ-চিঁতা কৰিব লাগিব।

এই কথাত বিবুদ্ধি যেন হৈ মহাৰাজে তেওঁৰ মিলনমন্ত্ৰীক সুধিলে, "এয়ানো কেনেকুৱা কথা হ'ল ? অপৰাধী সুবুদ্ধিক উচ্চ বিষয়া পতাৰ অৰ্থ ? আৰু—সুবুদ্ধিৰ গুণ-গোৱাইঁতক কামত নিযুক্ত ৰাখি বাদবাকী কৰ্মচাৰীক বৰ্খাস্তৰে ইবা অৰ্থ কি ? এয়ানো কেনেকুৱা বিচাৰ ?"

মহাৰাজৰ এই কথাৰ উত্তৰত মিলনে মৃদু হাঁহিৰে সৈতে ক'লে, "মহাৰাজ, সুবুদ্ধি ডাঙৰীয়াই অপৰাধ হয়তো কৰিছিল ; কিন্তু ৰাইজে বা ৰাজকৰ্মচাৰী-ইঁতৰ মাজত কোনোবাই তেওঁৰ নামত কোনো অভিযোগ উত্থাপন কৰিছিলনে ? এই কথাৰ অৰ্থ হ'ল এয়ে যে—অভিযোগ-কাৰী নোহোৱাকৈ বা অভিযুক্ত নোহোৱাকৈ—আইনতঃ কাকো দণ্ড-বিধান কৰিব নোৱাৰি। কিন্তু—সুবুদ্ধি ডাঙৰীয়াই যে ডাবি-ধমকিৰে কৰ্মচাৰী-বিলাকক সেও কৰিব পাৰে, তাৰ প্ৰমাণ আমি পাইছোঁ। গতিকে—তেওঁক ফাটকিয়ালইঁতক সেও কৰাৰ কামত লগাইছোঁ, আৰু ফাটকত কাম কৰা মানুহ এজনো আচলতে—ফাটকিয়ালেই হয়গৈ, তাকেই কৰিছোঁ তেওঁক। এয়ে সুবুদ্ধি ডাঙৰীয়াৰ পক্ষে যথেষ্ট দণ্ডবিধান হ'ল। আৰু—যিবিলাক কৰ্মচাৰীয়ে কেৱল ভয়তে ন্যায্যতালৈ ঘূৰিও নাচায়—তেনেবোৰ কৰ্মচাৰীৰে আন যিয়েই নহওক—ৰাজকাৰ্য্য সুকলমে কৰা নহয়। সেইকাৰণেইইঁতক—এনে অপদাৰ্থবিলাকক বৰ্খাস্ত কৰিছোঁ।"

মহাৰাজেও মৃদুকৈ হাঁহি মাৰি ক'লে, "মিলনমন্ত্ৰীক মই যি ভাবিছিলোঁ তেওঁ তাতোকৈ বহুত ওপৰ খাপৰ—এই কথা কোৱাত মই কাৰ্পণ্য নকৰোঁ।"

মিলন-মন্ত্ৰীৰ সুপৰামৰ্শ তথা সুসিদ্ধান্ত ক্ৰমে মহাৰাজ চিত্ৰধ্বজে অতঃপৰ শান্তিৰে ৰাজ্যশাসন কৰিব পাৰিছিল।



১২

হনুমান লংকা নগৰীত ভ্ৰমি থাকিল। লংকাৰ বাটে-পথে হনুমানে অসংখ্য বিচিত্ৰ বিচিত্ৰ ৰাক্ষস দেখা পালে। যাগ-দীক্ষাৰত ৰাক্ষস, জটাধাৰী ৰাক্ষস, মস্তকমুণ্ডিত ৰাক্ষস, বৃষচৰ্ম পৰিহিত ৰাক্ষস, হোম কৰি থকা ৰাক্ষস, শত্ৰুলৈ উচাটন-মন্ত্ৰ মাতি থকা ৰাক্ষস বিভিন্ন অস্ত্ৰ-শস্ত্ৰধাৰী অনাই-বনাই ফুৰা ৰাক্ষস, বিকৃত তথা বিকটাকাৰ ৰাক্ষস, ধ্বজ-ধাৰণকাৰী ৰাক্ষস, হাতীৰদৰে বিৰাট বিৰাট কাণ থকা ৰাক্ষস, কঁটীয়া-বজৰু ৰাক্ষস, লিং-লিঙীয়া ৰাক্ষস, ধকধকীয়া বগা ৰাক্ষস, ক্কিচকিচকৰে ক'লা ৰাক্ষস—নানান বৰণৰ নানান ধৰণৰ ৰাক্ষস হনুমানে লংকানগৰীৰ বাটে-পথে দেখা পালে।

ৰাতিৰ তৃতীয় প্ৰহৰত আকাশত জোন ওলাল, হনুমানো তৎক্ষণাৎ ৰাৱণৰজাৰ প্ৰসাদলৈ বুলি ৰাওনা হ'ল।

ৰাৱণৰজাৰ প্ৰাসাদ তেতিয়া নাৰীকণ্ঠৰ সুমধুৰ গীত-বাদ্যেৰে মুখৰিত। কিছু সংখ্যক নাৰীয়ে দেহ চন্দনেৰে চৰ্চিত কৰি আছিল, কিছুমান শুই আছিল।

হনুমানে সীতাক ইয়াতে দেখা পোৱাৰ আশাৰে তাত থকা প্ৰতিজন নাৰীকে ধৈৰযাৰে নিৰীক্ষণ কৰিবলৈ ধৰিলে। কিন্তু অতি সূক্ষভাবে নিৰীক্ষণ কৰিও তাত সীতাক দেখা নাপালে।

ৰাৱণৰ প্ৰাসাদলৈ চাই হনুমান আশ্চৰ্যা-ন্বিত হ'ল। প্ৰাসাদ ৰূপেৰে নিৰ্মিত, আৰু



সোণৰ কাৰুকাৰ্য্যৰে অলংকৃত। প্ৰাসাদৰ তোৰণদ্বাৰবোৰ ৰং-বিৰঙী মণি-মুকুতাৰে সজোৱা ; আনকি খিৰিকীবিলাকো হীৰা-পান্না চুণীৰে জলমলীয়া। হাতীশালত শ্ৰেষ্ঠতম হাতী, ঘোঁৰাশালত জগতৰ সৰ্বশ্ৰেষ্ঠ ঘোঁৰা, সকলোতে ঐশ্বৰ্য্যৰ আয়োজন।

এই প্ৰাসাদৰ সকলো কক্ষতে হনুমানে নিশবদে মেকুৰী-খোজ পেলাই পেলাই চাই ফুৰিছিল—সীতাক।

এঠাইত হনুমানে পুষ্পক-ৰথ দেখা পাই ৰৈ দিলে। বিশাল-বিৰাট এই পুষ্পক ৰথ। এই ৰথ তথা বিমানখনো অপৰূপ অলংকাৰমণ্ডিত। পুষ্পক-বিমানো এটা প্ৰাসাদৰ দৰেই বৃহৎ আকাৰৰ। ইমান বৃহৎ আকাশী-যান হনুমানে আগতে কদাপি ক'তো দেখা নাছিল।

গৈ গৈ হনুমানে এইবাৰ ৰাৱণৰ প্ৰাসাদৰ অন্তঃপুৰ পালেগৈ। ৰাৱণৰ অসংখ্য পত্নী। এই পত্নীসকলৰ কিছুমান আছিল ৰাক্ষসী, কিছুমান আছিল ৰাৱণে বলপূৰ্বক জয় কৰি লৈ অহা বিভিন্ন ৰাজ্যৰ ৰাজকুঁৱৰী, কিছুমানে ৰাৱণৰ সৈতে প্ৰেম কৰি ৰাৱণক পতিৰূপে বৰণ কৰিছিল।

তেতিয়া ৰাৱণৰ অন্তঃপুৰত নাৰীসকল নিদ্ৰামগ্না। সকলো নাৰীয়েই উজ্জ্বল ৰেছমী বস্ত্ৰ পৰিহিতা আৰু অপাৰ বৈভৱযুক্ত অলংকৃতা। সোণ-মণি-মুকুতা-হীৰা-চুণী-পান্না আদিৰ যেনিবা খনি এই অন্তঃপুৰ।

আৰু আছিল অন্তঃপুৰত সুবাসিত ফুলৰ সমাৰোহ। য'তে দৃষ্টি যায় ফুলৰ ফুলাম ফুলনি। কিছুমান নাৰীয়ে ফুলৰ মাজতে যেনিবা ফুলি আছিল।

হনুমানে অতি অভিনিবেশ সহকাৰে এই নাৰীসকলৰ মুখলৈ চাইছিল। কিন্তু সীতাক ক'তো দেখা পোৱা নাছিল।

ৰাৱণকো হনুমানে এক সুকোমল শয্যাত নিদ্ৰিত অৱস্থাত দেখা পাইছিল। ৰাৱণৰ বাহুবোৰ আছিল পঞ্চসিৰীয় মহাসৰ্পৰ দৰে। ৰাৱণৰ দেহ আছিল

ৰক্তচন্দনেৰে চৰ্চিত। শয্যাত নিদ্ৰিত ৰাৱণক যেনিবা সৰুসুৰা পাহাৰ এটিৰ দৰে বোধ হৈছিল হনুমানৰ।

ৰাৱণৰ দৰেই, ৰাৱণ-পত্নী মন্দোদৰীও আন এখন পালংকত দুগ্ধ ফেননিভ শয্যাত শুই আছিল। মন্দোদৰী দেখাত আছিল অপূৰ্ব সুন্দৰী। মন্দোদৰীক দেখা পাই—হনুমানে মন্দোদৰীকে সীতা বুলি ভুল কৰিলে। কিন্তু পাছ মুহূৰ্ততে ভাবিলেঃ ৰামচন্দ্ৰক হেৰুৱাই সীতাদেৱীয়ে এনেকৈ সাজ-শৃংগাৰ কৰিবনে? আৰু—খাই-বৈ ইমান সুখেৰে শয্যাগত নিদ্ৰাগত হ'বনে? পৰ-পুৰুষৰ ওচৰত ইমান সহজে-স্বচ্ছন্দে সীতাদেৱীয়ে আত্মসমৰ্পণ কৰিবনে? নহয়—হ'বই নোৱাৰে। এই নাৰী সীতা নহয়।

সীতাদেৱীক অন্বেষি হনুমানে কত যে অননি-বননি চাঁগি-মুহি চালে তাৰ সীমা-সংখ্যা নাই। সীতাদেৱীক অন্বেষি হনুমানে কত যে পাহাৰ-পৰ্বত বগালে তাৰো লেখ-জোখ নাই। কিন্তু ক'তো-কেনিও সীতাদেৱীক নাপাই হনুমান কিছু বিষণ্ণ-বিচলিত হ'ল।

ক'তো-কেনিও সীতাদেৱীৰ উম-ঘাম নাপাই হনুমানে ভাবি থাকিলঃ কেনেবাকৈ সীতাদেৱীৰ মৃত্যু হোৱা নাই তো? একোপধ্যে সীতাদেৱীক সেও কৰিব নোৱাৰি ৰাৱণেই তেওঁক মাৰি পেলোৱা নাই তো? নাইবা—এই ভয়ানক ৰাক্ষসপুৰীলৈ অহাৰ পাছত মুক্তিৰ আৰু উপায় নেদেখি সীতাদেৱী আত্মঘাতিনী হোৱা নাই তো? বানৰ-ৰাজ সুগ্ৰীৱক প্ৰদত্ত সময়সীমা কেতিয়াবাই উকলিল, এতিয়া যদি সীতাদেৱীৰ সা-সম্ভেদ নোলোৱাকৈয়েই উভতি যাওঁ—? নহয় নহয়, ই অসম্ভৱ। মই বানৰসকলক, সুগ্ৰীৱক, ৰামচন্দ্ৰক এই ব্যৰ্থতাৰ কি কৈফিয়ৎ প্ৰদান কৰিম?

কিন্তু—কেৱল ভাবি থকাত যে একো লাভ নাই, সেই কথা গমি হনুমান পুনৰ



ওলাল। গৈগৈ এডৰা গভীৰ অৰণ্য পালেগৈ হনুমানে। অৰণ্যডৰাৰ চুকে-কোণে বিচাৰিলে. তাত থকা গুহাবোৰলৈ সোমাই চালে; কিন্তু সীতাদেৱীৰ ছাঁটোকো বিচাৰি নাপালে। হনুমান বিভ্ৰান্তৰ দৰে ভ্ৰমি থাকিল। য'তেই কোনো নাৰীৰ মুখ দেখা পায়, তাতেই হনুমান ৰয়। ৰয়-আক চায়—এই নাৰী সীতা হয়নে নহয়। যেতিয়া সীতা নহয় বুলি উপলব্ধি হয়, তেতিয়া অতি বিমৰ্ষ হয়।

ৰাক্ষসৰজা ৰাৱণে যেতিয়া সীতাদেৱীক অপহৰণ কৰি আকাশ-পথেৰে লৈ আহিব ধৰিছিল, তেতিয়া সীতাদেৱী ক'ৰবাত পৰিছিলনে কি কোনে ক'ব? যদিহে সাগৰত পৰিছিল—নিশ্চয় সলিলসমাধি হ'ল। তেতিয়া?—বৃথা অন্বেষণ!

হনুমানে মনতে স্থিৰ কৰিলে: মই মোৰ সাধ্যে কুলায়মানে সীতাদেৱীক এই লংকাত বিচাৰিম। যদি বিচাৰি নাপাওঁ—অগ্নি প্ৰজ্জ্বলিত কৰি আত্মদাহ দিম।

এবাৰ ভাবিলে: সীতাদেৱীক যদি বিচাৰি উলিয়াব নোৱাৰোঁ, ৰাৱণকে যজ্ঞ-পশুৰ দৰে ধৰি লৈ যাম শ্ৰীৰামচন্দ্ৰৰ সমীপলৈ। তেতিয়া শ্ৰীৰামচন্দ্ৰই যি কৰে কৰিব।

এইদৰে নানান কথা ভাবি ভাবি গৈ গৈ হনুমান এঠাইত ৰ'ল। তাৰপৰা কিছু দূৰৈত এক উদ্যান-বন পৰিদৃষ্ট হ'ল। এই উদ্যান-বনক 'অশোকবন' বুলি কোৱা হৈছিল। হনুমানে এয়ে প্ৰথমবাৰৰ বাবে এই অশোকবনৰ অপাৰ সৌন্দৰ্য্য দেখা পালে।

: এই অশোকবন এতিয়ালৈকে চোৱা হোৱা নাই। হনুমানে ভাবিলে: সীতাদেৱী যদি ইয়াত থাকে?

হনুমানৰ বুকুত আশাই ঢেকীয়ে বনা দি বানি থাকিল। হনুমানে বিৰাট এক লম্ফ মাৰি অশোকবনলৈ বুলি আগবাঢ়িল।

চাওঁতে চাওঁতে হনুমানে অশোকবন





পালেহি। হনুমানে নিজৰ দেহক অতি ক্ষুদ্ৰাকৃতি কৰি অশোকবনৰ বৃক্ষসমূহলৈ পৰীক্ষাৰ দৃষ্টিৰে চাবলৈ ধৰিলে।

তেতিয়া বসন্তঋতুৰ সমাগম। অশোক-বনত অশোক বিৰিখ বাদেও শাল, চম্পক, উদ্দাল, নাগ, ৰসাল, কপিমুখ আদি বৃক্ষ ফলে-ফুলে জাতিষ্কাৰ হৈ আছিল। ভালেমান বিৰিখৰ গাত বিভিন্ন-বিচিত্ৰবৰ্ণ লতা বগাই বগাই উঠিছিল।

এই বনৰ প্ৰাকাৰৰ ওপৰত বহি থকা হনুমানে এইবাৰ গছৰপৰা গছলৈ লম্ফ মাৰি মাৰি যাবলৈ ধৰিলে। তাৰ ফলত—বৃক্ষসমূহত থকা পক্ষীকূলে চিঞৰি খলক লগলে, বৃক্ষশাখাৰপৰা ফুলবোৰ সৰি পৰিবলৈ ধৰিলে। এই অশোকবনত হনুমানে বৃহৎ বৃহৎ সৰোবৰ, অনুচ্চ টিলা, আৰু সোণ-ৰূপেৰে সজা কৃত্ৰিম বৃক্ষাদিও দেখা পালে।

হনুমানে বৃক্ষশাখাত পাতৰ আঁৰত বহি বহি চাৰিওফালে চাবলৈ ধৰিলে। বহু দূৰৈত হনুমানে এটি ৰজতশুভ্ৰ সুৰম্য অট্টালিকা দেখা পাই স্থিৰ দৃষ্টিৰে চাই ৰ'ল সেই অট্টালিকাৰ পিনে। পাছত — ইয়াতে হনুমানে সীতাদেৱীৰ দৰ্শনলাভ কৰিছিল।

সীতাদেৱী তেতিয়া অতি খীণাই-শুকাই গৈছিল। তেওঁৰ পিন্ধনত আছিল অতি মলিয়ন হালধীয়া বৰণৰ শাড়ীকাপোৰ। সীতাদেৱীক ৰাক্ষসিনীহঁতে আগুৰি থিয় হৈ আছিল, পৰ দি বৈ আছিল।

ৰাৱণে যেতিয়া সীতাদেৱীক অপহৰণ কৰি আকাশ-পথেৰে লৈ গৈ আছিল, তেতিয়া হনুমানে সীতাদেৱীক ক্ষন্তেকৰ বাবে হ'লেও দেখা পাইছিল। সেইগৰাকী সীতাদেৱীকে যদিও হনুমানে এতিয়া দেখা পোৱা হ'ল, তথাপি, তেওঁৰ মুখশ্ৰীত এক অভূতপূৰ্ব পৰিৱৰ্তনো হনুমানে দেখা পালে। সীতাদেৱীয়ে আকাশ-পথৰপৰা কিছুমানি অলংকাৰ পেলাই দিছিল। কিন্তু ভালেখিনি তেওঁৰ গাত তেতিয়াও জিলিকি

আছিল। শ্ৰীৰামচন্দ্ৰই সীতাদেৱীৰ গাত থকা আ-অলংকাৰৰ বৰ্ণনা হনুমানক দিছিল। এতিয়া হনুমানে সেইবোৰ বৰ্ণনা এইবোৰ আ-অলংকাৰৰ লগত মিলাই চালে। হনুমান এতিয়া নিঃসন্দেহ হ'ল যে—সুনিশ্চিতভাৱে এই নাৰীগৰাকীয়েই হ'ল স্বয়ং সীতাদেৱী।

হনুমানৰ মনত আনন্দৰ শিহৰণ বৈ গ'ল। হনুমানে নিষ্পলক নেত্ৰে চাই ৰ'ল শোকস্তব্ধা সীতাদেৱীৰ করুণ মুখমণ্ডললৈ।

ৰাতিৰ এতিয়া শেষ প্ৰহৰ। ৰাক্ষস-সকলে বেদ পাঠ আৰম্ভ কৰিলে। ঠিক তেতিয়াই মংগলবাদ্য বাজি উঠিল আৰু বহু দূৰৰপৰা স্বয়ং ৰাৱণ অশোকবনলৈ আহি থকা পৰিদৃষ্ট হ'ল।

ৰাৱণৰজাৰ পিছে পিছে এশগৰাকী-দেৱ-নাৰী, এশগৰাকী গন্ধৰ্ব নাৰী আৰু আন কিছুমান নাৰীয়ে স্বৰ্ণমণ্ডিত জোঁৰ লৈ আহি থকা দেখা গ'ল। আন কিছুমান ৰাক্ষসিনীয়ে তৰোৱাল দাঙি ৰাৱণৰ কাষে কাষে গৈ থাকিল, আৰু কিছু সংখ্যক নাৰীয়ে—স্বৰ্ণ পাত্ৰত পানী কঢ়িয়াই লৈ ৰাৱণৰজাৰ আগে আগে গৈ থাকিল। এগৰাকী নাৰীয়ে ৰাৱণৰজাৰ মস্তকোপাৰ ছত্ৰ ধাৰণ কৰি থাকিল।

ইমান নাৰীৰ নূপুৰৰ ধ্বনিৰে হনুমান আকৰ্ষিত হৈছিল আৰু এই দৃশ্য দেখা পাইছিল। জোঁৰৰ পোহৰেৰে উদ্ভাসিত



ৰাৱণক হনুমানে স্পষ্টৰূপে দেখা পাই কিছু আশ্চৰ্য্যান্বিত হৈছিল।

ৰাৱণ পোনে পোনেই ক্ৰন্দনৰতা সীতাদেৱীৰ ওচৰলৈ আহিল।

শোকবিহ্বলা সীতাদেৱীক ৰাৱণে এইদৰে কৈ থাকিল ঃ

"সীতা! মোক দেখা পাই কিয়নো তুমি ভীতা-ত্ৰস্তা হৈ কান্দিছা? তোমাৰ কোনো ভয় নাই। মই তোমাৰ ৰূপমুগ্ধ. তুমি মোক স্বীকৃতি দিয়া। ইয়াত তোমাৰ কোনো ভয় নাই। মোকো ভয় কৰিব নালাগে, বা আন কাকো ভয় কৰিব নালাগে। ইয়াত কোনেও তোমাৰ সামান্যতম অনিষ্টও কৰিব নোৱাৰে। তোমাৰ সৈতে মোৰ কোনো প্ৰেম-ভাব হোৱা নাই বুলি তোমাক মই স্পৰ্শ নকৰোঁ। কিন্তু সেই বুলি তুমি দুঃখিত হ'ব নালাগে। এইদৰে মলিয়ন বস্ত্ৰপিন্ধি আছা কিয়? পৰিষ্কৃত সুকোমল বস্ত্ৰ পৰিধান কৰি, যি আৰু যিমান লাগে আ-অলংকাৰ পিন্ধি, ফুলমালাৰে নিজক সজাই-পৰাই—মাত্ৰ মোক স্বীকাৰ কৰি লোৱা। এইদৰে শোকস্তব্ধ হৈ নাথাকি—শ্ৰেষ্ঠ সুৰা পান কৰা। দুগ্ধফেননিভ শয্যাত শয়ন কৰা। নৃত্য চাই গীত শুনি মনৰ দুখ আঁতৰ কৰা জীৱনৰ পৰম ধন যৌৱন বৃথা হ'বলৈ নিদিবা। যৌৱন অনন্ত-কাললৈ বৈ নাথাকে। তোমাৰমান সুন্দৰী ত্ৰিজগতত আজিকোপতি আৰু সৃষ্টি হোৱা নাই। মোক পৰ-পুৰুষ বুলি ভবাৰ কোনো অৰ্থ নাই। মই তোমাক পাটৰাণী কৰিম, তোমাৰ ক্ৰীতদাস হৈ থাকিম, কথা দিছোঁ। তোমাক কি লাগে—আদেশ কৰা। সেই ছনে বনে ঘূৰি ফুৰা ৰাম হ'ল এটা অপদাৰ্থ। সি জীয়াই থাকিব বুলি নাভাবিবা। আৰু—সি সহস্ৰ চেষ্টাতো ইয়ালৈ আহিবও নোৱাৰিব এই কথা ধ্ৰুৱ বুলি জানিবা।"

কিন্নৰী-কাহিনী

কথা পুৰণিদিনীয়া। তেতিয়াৰ দিনত কাশ্মীৰত এজনে ছুখীয়া চৰাই মৰীয়া আছিল। প্ৰতিদিন ধলপুৱাতে এই চৰাই-মৰীয়াজন জংগললৈ গৈছিল আৰু চৰাই ধৰি ধৰি সজাত ভৰাই চহৰলৈ বেচিবলৈ লৈ গৈছিল। কিছুদিনৰ অন্তত এই চৰাই-মৰীয়াজন ঢুকাল আৰু তেতিয়া তাৰ একমাত্ৰ ল'ৰা সুদামেও এই একেই কাম কৰিব বুলি স্থিৰ কৰিলে।

সুদামে জংগললৈ গৈ গছৰ ডালত সজাবোৰৰ দুৱাৰ খুলি ওলোমাই থ'লে। কিন্তু বহু সময়ৰ পাছতো কোনো এটা সজাতো এটাও চৰাই নোসোমোৱা হ'ল। এইদৰে বৈ বৈ বৈ বৈ—সুদামে যেতিয়া গুচি যাব বুলি ভাবিলে, ঠিক তেতিয়াই এটা সজাত চৰাই এটা সোমাল।

সুদাম বৰ আশাৰে দৌৰি গ'ল। গৈ লগে লগেই সুদামে বৈ দিলে। সজাটোৰ ভিতৰত — এইটো কিনো? এইটো— এইজনী দেখোন এজনী কাউৰীহে!

হঠাৎ এই কাউৰীজনীয়ে মানুহৰ মাতেৰে কৈ উঠিল, "শুনা, হে সুন্দৰ যুৱা, তুমি মোক এৰি দিয়া। মই তোমাৰ ঢেৰ উপকাৰ কৰিম। কালিলৈ তোমাৰ সজাৰ ভিতৰত নিশ্চয় অপূৰ্ব সুন্দৰ চৰাই এটা পাবা—মই যি প্ৰকাৰেৰেই নহওক আনি দিম। সেই চৰাইটো মহাৰাজৰ ওচৰলৈ লৈ যাবা, প্ৰচুৰ পুৰস্কাৰ পাবা।"

কাউৰীজনীৰ কথাত পতিয়ন গৈ সুদামে তাইক এৰি দিলে।

পাছদিনা — কাউৰীজনীয়ে কোৱা মতেই সুদামৰ সজা এটাত অপূৰ্ব সুন্দৰ

'কাশ্মীৰৰ লোক-কথা'

চৰাই এটা ফান্দত পৰা হ'ল। এনেহেন অপূৰ্বসুন্দৰ চৰাই সুদামে জীৱনতো দেখা নাছিল। সুদামে এই চৰাইটো দেশৰ ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই এনে অমূল্য-অপূৰ্ব চৰাই এটি পাই অতিশয় আনন্দিত আৰু আবেগপ্ৰৱণ হৈ উঠিল আৰু সুদামক বৃজন পৰিমাণৰ সোণ পুৰস্কাৰস্বৰূপে দিলে।

কিন্তু—ইমান সোণ পায়ো সুদামৰ দুখ-কষ্ট নুগুচিল; বাঢ়িলহে। কিয়নো—

কাশ্মীৰৰ মহাৰাজৰ বিদূষকে সুদামক পুৰস্কাৰ হিচাপে ইমান সোণৰ চেকুৰা দিয়াত পেটে পেটে বেয়া পাইছিল। বিদূষকে এদিন মহাৰাজক ক'লে, "মহাৰাজ! ইমান অপূৰ্ব চৰাই এটিক লো-ৰে সজা সজাত ৰাখিব নাপায়। এনেহেন চৰাইৰ বাবে হাতীৰ দাঁতৰ কুটীৰ এটা সাজিলেহে শুৱাব।"

"কিন্তু — কুটীৰ সজাৰ জোখাৰে হাতীৰ দাঁত ক'ত পোৱা যাব?"

"ইমান ধুনীয়াৰে ধুনীয়া পক্ষীক বন্দী কৰিব পৰা চৰাই-মৰীয়ায়েই হাতীৰ দাঁতো আপোনাক আনি দিব পাৰিব, মহাৰাজ!" বিদূষকে ক'লে।

মহাৰাজে সুদামক মতাই অনাই কুটীৰ এটা সজাৰ জোখাৰে হাতীৰ দাঁত লাগিব। বুলি কৈ তাক চল্লিছ দিন সময় দিলে আৰু চল্লিছ দিনৰ ভিতৰত জোখে-জোখাৰে হাতীৰ দাঁত দিব নোৱাৰিলে তাৰ শিৰশ্ছেদ কৰা হ'ব বুলিও ক'লে।

শুনি—মদকৰা পৰা সুদাম ঘৰলৈ উভতি গ'ল। ইমান হাতীৰ দাঁত গোটোৱা—এক অসম্ভৱ কাম। কিয় যে কাউৰী-জনীৰ কথাত ৰজাৰ ওচৰলৈ গৈছিল—সেই কথা ভাবি বেয়া লাগিল তাৰ।

হঠাৎ সেই কাউৰীজনী সেই ঠাইত ওলালহি। কাউৰীজনীয়ে সুদামক সুধিলে, "হে সুন্দৰ যুৱা! তুমি ইমান আমন-

জিমনকৈ কিয় বহি আছা ?"

সুদামে কথাখিনি কাউৰীক ক'লে।

কাউৰীজনীয়ে ক'লে, "এই সামান্য কথাত তুমি ইমান চিন্তাৰ সাগৰত বুটিলেও হ'ব। মহাৰাজক কোৱাগৈ—চল্লিছ পিপা মদ লাগে। ইয়াৰপৰা এশ যোজন দূৰৈত বিৰাট সৰোবৰ এটা আছে। তাত পানী খাবলৈ জাক জাক হাতী আহে। সেই সৰোবৰৰ পানীৰ লগত এই চল্লিছ পিপা মদ মিহলাই দিবা। এই মদ-মিহলোৱা পানী হাতীবিলাকে খাব আৰু লগে লগে তোমাৰো কাম হৈ যাব।"



কাউৰীজনীৰ কথাত সুদাম তৎক্ষণাৎ মহাৰাজৰ কাষ চাপিল আৰু মহাৰাজেও চল্লিছ পিপা মদ সুদামৰ কথা মতে সেই সৰোবৰৰ ওচৰত এঠাইলৈ পঠিয়াই দিলে। সেই দিনা জাক জাক হাতী সৰোবৰলৈ আহিল আৰু চল্লিছ পিপা মদ-মিহলোৱা সৰোবৰৰ পানী খাই হাতীবিলাক একেবাৰে বেহুঁচ হৈ পৰিল। তেতিয়া সুদামে হাতী-বিলাকৰ দাঁতবোৰ কাটি ল'লে আৰু গাড়ী এখনত বোজাই কৰি মহাৰাজৰ ওচৰলৈ পঠিয়াই দিলে।

মহাৰাজ মহা তুষ্ট। চাওঁতে চাওঁতে হাতীৰ দাঁতৰ কুটীৰ এটা সাজি—সেই অপূৰ্ব সুন্দৰ চৰাইটোক সেই কুটীৰত ভৰাই সজাই-পৰাই থৈ দিলে।

সুদামৰ ক্ষমতাৰ প্ৰমাণ পাই বিদূষক ৰঙা-কলা-তিনি বৰণীয়া হ'ল। সি তাৰ মনত বিশেষ আঁচনি এটি পাঙি মহাৰাজক ক'লেগৈ, "মহাৰাজ, এই ধুনীয়াৰো ধুনীয়া চৰাইটি হস্তীদন্ত-নিৰ্মিত কুটীৰত থাকিও যে মন-মৰা হৈ আছে—নমতা-নোবোলা হৈছে—মন কৰিছেনে সেই কথালৈ ?"

"তাৰ বাবে কি কৰিব লাগিব ?" মহাৰাজে বিদূষকক সুধিলে।

"তাৰ বাবে আমি এই চৰাইৰ প্ৰকৃত মালিকক বিচাৰি লৈ আহিব লাগিব। তেতিয়াহে চৰাইটোৱে ৰংমনে গীত

গাব।" বিদূষকে মহাৰাজক ক'লে।

"ইনো কেনেকৈ সম্ভৱ? এই চৰাইৰ মালিক কোন—কোনে কেনেকৈ জানিব?" মহাৰাজে আচৰিত মানি ক'লে।

"যিজনে ইমান হাতীৰ দাঁত আনিব পাৰে, এইকণ কাম কৰিব নোৱাৰিবনে?" বিদূষকে ক'লে।

মহাৰাজে সুদামক পুনৰ মতাই অনালে আৰু ক'লে, "চোৱা, এই অপূৰ্ব সুন্দৰ পক্ষীৰ মালিকক বিচাৰি উলিয়াই মোৰ ওচৰলৈ চল্লিছ-দিনৰ ভিতৰত লৈ আহাঁ, নহ'লে তোমাৰ মৰণ যমেও ৰোধ কৰিব নোৱাৰিব।"

এইবাৰ সুদাম একেবাৰে দমি গ'ল। তাৰ মাত বোল বন্ধ হৈ গ'ল। সি দিনে-নিশাই ভাবি থাকিল—এনে এক অসম্ভৱ কাম কেনেকৈ সম্ভৱ কৰিব।

এনেতে—পুনৰ সেই কাউৰীজনী আহিল। সুদামে সকলো কথা কাউৰী-জনীক ক'লে। শুনি কাউৰীজনীয়ে-ক'লে, "এই সামান্য কথাতে ইমান ভাবিব নালাগেচোন। মহাৰাজৰপৰা এখন বৰ্ড়িয়াতকৈয়ো বৰ্ড়িয়া নাও খুজি লোৱাগৈ আৰু সেই নাৱত ৰাজকীয় সুখৰ যিমান বন্দৱস্ত কৰিব পাৰা—কৰা। নাৱতে থাকিব লাগিব বিশ্ব-সংসাৰৰ সকলো সুখৰ বস্তু। পাছত সেই নাৱত উঠি তুমি যদি সোঁৱে নহয় বাঁৱে নহয় পোনে পোনেই পূব ফাললৈ গৈ থাকা—কেদিনমানৰ অন্তত কিন্নৰদেশ পাবাগৈ। তোমাৰ বিচিত্ৰ নাওখন চাবলৈ ই আহিব সি আহিব কত যে দলে-বলে আহিব, আহিয়েই থাকিব। কিন্তু কাকো সোমাবলৈ নিদিবা। ক'বা যে—প্ৰথমতে কিন্নৰদেশৰ মহাৰাণীকহে নাওখন পৰিদৰ্শন কৰিবলৈ দিয়া হ'ব, তাৰ পাছত আন। যেতিয়া এই কথা শুনি কিন্নৰ-মহাৰাণী তালৈ আহিব, তেওঁলৈ সাদৰ আদৰ জনাবা, নাৱত উঠিবলৈ দিবা, আৰু কোনেও

একো টলকিব নৌ পাওঁতেই নাওখন নৈৰ বুকুত পুনৰ মেলি দিবা। গৈ থাকিবা গৈয়েই থাকিবা—আৰু নাৰৰ ভিতৰত ইটো চাই সিটো চাই কিন্নৰ-মহাৰাণীও বৈ থাকিব। এই কিন্নৰ মহাৰাণীয়েই হ'ল সেই পক্ষীৰ মালিকানী।"

কাউৰীজনীৰ কথামতে কাম কৰি সুদামে কিন্নৰ-মহাৰাণীক লগত লৈ কাশ্মীৰৰ মহাৰাজৰ প্ৰসাদ পালেহি। আৰু—

লগে লগে হস্তীদন্ত-সজ্জিত কুটিৰত থকা সেই অপূৰ্ব-সুন্দৰ চৰাইটোৱে মধুৰ গীত গাই উঠিল। অপৰূপ সুন্দৰী কিন্নৰ-ৰাণীক কাশ্মীৰৰ মহাৰাজে বিবাহ কৰাব বুলি ক'লে।

বিবাহত সুদামো তাত উপস্থিত আছিল, আৰু—সুদামৰ কান্ধত উৰি আহি বহিছিলহি সেই কাউৰীজনী।

হঠাৎ কিন্নৰ-ৰাণীয়ে খঙতে ৰঙা পৰি কাউৰীজনীলৈ চাই কৈ উঠিল, "আৰে ভূতুনী। ইয়াতো তইনে!"

সুদামে ক'লে, "কথানো কি! এইজনী মোৰ প্ৰাণৰ বন্ধু। যদি তাই কিবা অন্যায় কৰিছিল—মই মাফি মাগিছোঁ তাইৰ হৈ।"

"তাই আছিল মোৰেই সখি। তাই বৰ গণ্ডগোলী হৈ উঠাত মই তাইক মন্ত্ৰ মাতি কাউৰীলৈ ৰূপান্তৰিত কৰিছিলোঁ। তুমি তাইৰ হৈ মাফি মাগিছা—সেইহে মই মোৰ মন্ত্ৰ প্ৰত্যাহাৰ কৰি ল'লোঁ।"

কিন্নৰ-ৰাণীয়ে এই কথা কোৱাৰ লগে লগেই সেই কাউৰীজনী এজনী ধুনীয়া যুৱতীলৈ ৰূপান্তৰিতা হ'ল।

পাছত—কাশ্মীৰৰ মহাৰাজে কিন্নৰ-ৰাণীৰ এই সখিয়েকজনীৰ সৈতে সুদামৰ যোৰা পাতি দিছিল আৰু তেওঁৰ অধীনত যথাযোগ্য চাকৰিত মকৰল কৰিছিল সুদামক। আৰু—বিদূষকৰ ষড়যন্ত্ৰৰ কথা ওলাই পৰাত—দুষ্ট বিদূষকক মহাৰজাই ফাঁচিৰ জৰীত ওলোমাই দিছিল।

ততোৱাল-ৰাখোৱাল

কাঞ্চনপুৰ গাঁৱত শিৱন নামৰ এজন ভেড-ৰাখীয়া আছিল। গৰাকীৰ ভেড়াৰ জাক লৈ হাবি-জংগলৰ আশে-কাষে যায়, দিনৰ দিনটো চৰায়, আকৌ উভতি আহে। গৰাকীয়ে প্ৰায়েই ভেড়াবোৰ গন্তি কৰি গৰালত ভৰাই থয়।

এবাৰ শিৱনক অলপ টকাৰ প্ৰয়োজন হ'ল, কিন্তু বহু চেষ্টাতো ক'তো টকা নাপাই—জাক জাক ভেড়াৰ মাজৰপৰা এটা ভেড়া শিৱনে বেচি দিলে।

সেইদিনাও গৰাকীয়ে গন্তি কৰিলে আৰু শিৱনক ক'লে, "শিৱন, ভেড়া এটা কি হ'ল ?"

শিৱনে ঠেঁটা-মোজা লাগি ক'লে, "মালিক—কথাটো ক'বলৈ পাহৰি থাকিলোঁ।—আজ ভেড়া এটা বাঘে নিলে।"

কিন্তু পাছদিনাও এটা ভেড়া শিৱনে বেচি দিলে আৰু গৰাকীক ক'লে যে—এই বাঘটো বৰ ততোৱাল বাঘ। এটাকৈ ভেড়া মনে মনে মাৰি লৈ যায়।

"ঠিক আছে, মই তেন্তে মাধৱ চিকাৰীক লগত লৈ চৰণীয়া পথাৰলৈ নিজেই গৈ চাওঁ। মাধৱৰ চকুত পৰিলে কোনো বাঘ আৰু জীয়াই নাথাকে।" গৰাকীয়ে ক'লে।

পাছদিনা চৰণীয়া পথাৰত দিনৰ দিনটো গৰাকীয়ে মাধৱ চিকাৰীক লগত লৈ বৈ থাকিল; কিন্তু বাঘৰ চিন-মোকামো দেখা নগ'ল।

গৰাকীয়ে শিৱনক সুধিলে, "কি হ'ল শিৱন ? বাঘ নাহিল যে ?"

শিৱনে সেপ ঢুকি ক'লে, "মালিক, মই আগতেই ক'লো নহয়—এই বাঘটো বৰ ততোৱাল বাঘ। মাধৱ চিকাৰীৰ কথা গম পায়েই বাঘটো আৰু নাহিল বোধকৰোঁ।"

তেতিয়া গৰাকীয়ে ক'লে, "তেনেহ'লে— তোমাৰ সলনি মাধৱকে মই এই কামত লগাম।"

লগে লগে শিৱন তাৰ গৰাকীৰ ভৰিত উবুৰি খাই পৰিল আৰু সকলো কথা ভাঙি পাতি কৈ ক্ষমাপ্ৰাৰ্থনা কৰিলে।

গৰাকীয়ে তাক ক'লে, "আজিপৰা ইমানদাৰীৰে কাম আৰম্ভ কৰা। এনেকুৱা চুৰি-চাপাটী কৰি নিজৰ ভৰিত নিজে কুঠাৰ মৰাৰ বাহিৰে আন লাভ একোৱেই নহয়। মনত ৰাখিবা— বাঘও ততোৱাল, তুমিও ৰাখোৱাল !"



ধনুভঙা ধেমালি

পুৰণিদিনৰ কথা। এখন গাঁৱত নৰাম নামৰ কৃষক এজনৰ ঘৈণীয়েক অতি কম বয়সতে ঢুকাইছিল। পাছত ৰূপানী নামৰ কেও-কিছু নথকা লোকৰ ক'ৰ লোকৰ খাই বৰ্তি থকা ছোৱালী এজনীক নৰামে ঘৰুৱা কাম-বনৰ কৰাৰ বাবে লৈছিল আৰু পাছত খেতি-বাতিৰ কামতো লগাইছিলে।

ৰূপানী আছিল চেৰা-বলিয়াবিধৰ ছোৱালী। কিন্তু তাইৰ কামত নৰাম তুষ্ট।

এদিন ৰূপানীয়ে নৰামক ক'লে, "বোলোঁ—কথা কি? ঘৰৰ-বাহিৰৰ সকলো কাম দেখোন ময়েই কৰি আছোঁ। মোক বিয়া কৰালেই দেখোন লেঠা ছিগে।"

এই কথাত হাঁহি মাৰি নৰামে ৰূপানীক ক'লে, "হয়নে? হে হে—লাখ কথাৰ এক কথা কৈছ তই। মোৰ তিনি-কাল গৈ একালত লাগিবৰ হ'ল, বাঁৰী হৈ পাবি বিয়াৰ মজা।"

এদিন ৰূপানীয়ে নৰামৰ খেতি-পথাৰত গোটেই দিন ধৰি পৰিশ্ৰম কৰাৰ অন্তত ঘৰলৈ আহি মৰাৰ দৰে টোপনিত লাল-কাল দিলে। তেতিয়া—নৰামৰ মূৰত এক দুৰ্বুদ্ধিয়ে বাহ ল'লে। নৰামে কাজলে-তেলে মিহলাই টোপনিত বৰি-বকৰা নজনা ৰূপানীৰ মুখত আৰু গাতো চিত্ৰ-বিচিত্ৰকৈ আঁকিলে। দেখাত—ৰূপানীক সাইলাখ ভূতুনী যেন লাগিছিল।

টোপনিৰপৰা সাৰ পোৱাৰ পাছত নিজৰ হাত-ভৰিৰ এনে বিচিত্ৰ ৰূপ দেখি পাগলী ৰূপানীয়ে ভাবিলে: মই বাৰু—ময়েইনে? নে কোনোবাজনী ডাইনী?

ক্ৰমে ৰূপানীৰ মনত এই ধাৰণাই

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

দ'কৈ শিপালে যে—তাই আচলতে ৰূপানী নহয়, ডাইনী বা ভূতুনীহে।

এই কথা ভাবি ভাবি তাই আন্ধাৰে-মুন্ধাৰে হাবিৰ ভিতৰলৈ সোমালগৈ। সোমাই—তাত তাই ছুটা চোৰক দেখা পালে। চোৰ হুটাই ৰূপানীৰ ভূতুনী ৰূপ দেখি 'আই ঔ—মৰিলোঁ ঔ'—বুলি মৰ-চিঞৰ মাৰি দৌৰি পলাবলৈ ধৰিলে।

লগে লগে ৰূপানীয়েও সিহঁত ছুটাৰ পিছে পিছে দৌৰি দৌৰি গৈ গৈ কৈ থাকিল : "তোমালোক কিয় পলাইছা? পলাব নালাগে—। মোক তোমালোকৰ লগত লোৱা। ময়ো তোমালোকৰ চুৰিত সহায় কৰিব পাৰিম।"

চোৰ ছুটা ৰ'ল, আৰু তাইকো লগত লৈ চুৰি-ডাবি কৰিবলৈ ওলাল।

আজি চোৰ ছুটাই এটা ভেড়া চুৰি কৰিব বুলি ভাবিছিল। শুনি ৰূপানীয়ে ক'লে, "এই কামৰ দায়িত্ব মোৰ ওপৰত এৰি দিয়া। মই ভেড়া লৈ আহিম।"

ৰূপানীয়ে ভেড়াশালৰপৰা চিঞৰি চিঞৰি চোৰ ছুটাক সুধিলে, "ভেড়া লাগেনে ভেড়ী? ইয়াত জাক জাক ভেড়া-ভেড়ী!"

"চিঞৰি নাথাকিবা—এটা নোদোকা চাই ভেড়া-ভেড়ী যি আনা আনা।"

"ঠিক আছে, নোদোকা পাবা, পিছে ভেড়ানে ভেড়ী ল'বা?"

ৰূপানীয়ে পুনৰ চিঞৰি সোধাত—চোৰ ছুটা দৌৰি পলাল।

ইতিমধ্যে ভেড়া-শালৰ গৰাকীও চিঞৰ শুনি জাগি উঠিছিল। গাৰকীয়ে ৰূপানীৰ ভূতুনী ৰূপ দেখা পাই মূৰ্ছকছ যাওঁ যাওঁ হ'ল। তিমানতে ৰূপানীয়ে চোৰ ছুটাক লগ ধৰিবলৈ চাঁত্‌কৰে ভেড়াশালৰপৰা ওলাই এন্ধাৰত অদৃশ্য হ'ল।

চোৰ ছুটাৰ পেট ভোকতে কলমলাই আছিল। কিন্তু খাবনো কি? ভাবি ভাবি—ক'ৰবাৰপৰা কুকুৰা এটা চুৰি কৰাৰ

মতলব পাতিলে চোৰ দুটাই।

কথাটো মুখৰপৰা ওলাবলৈ পালেহে. ৰূপানীয়ে ক'লে, "এই কামৰ দায়িত্ব মোৰ ওপৰ এৰি দিয়া। মই কুকুৰাৰ গড়ালৰপৰা কুকুৰা এটা লৈ আহিম।"

লগ নেৰিছাই যেতিয়া—যেই বোলা সেই—বুলি ভাবি চোৰ দুটাই পুনৰ ৰূপানীক লগত লৈ কুকুৰা চুৰি কৰিবলৈ গ'ল। চোৰ দুটাক বাহিৰত ৰৈ থাকিবলৈ কৈ ৰূপানী কুকুৰাৰ গৰাললৈ সোমাল। সোমায়েই তাই চিঞৰি কৈ উঠিল, "হেৰা—মতা কুকুৰা লাগেনে মাইকী-কুকুৰা লাগে? মোৰ্গানে মুৰ্গী—?"

"তুমি এনেকৈ নিচিঞৰিবা। মণ্ডহাল মোৰ্গা-মুৰ্গী যি হয় এটা লৈ পট্‌কৈ ওলাই আহা।" চোৰ এটাই ক'লে।

"মণ্ডহাল চাই? বাৰু। পিছে—মুৰ্গীনে মোৰ্গা লাগে?" ৰূপানীয়ে পুনৰ চিঞৰি উঠিল।

আৰু লগে লগে বহি বহি কলমটীয়াই থকা পৰীয়াটোয়ো সাৰ পাই গ'ল।

চোৰ দুটাও তাত আৰু মুহূৰ্ত্তৰ বাবেও নৰ'ল। যঃ পলায়তি সঃ জীৱতিকৈ ধৰিলে লৰ। আৰু ৰূপানীয়ে মাৰিলে পুনৰ মৰ-চিঞৰ, "বোলোঁ—মোৰ্গানে মুৰ্গী নক'লি, কিয় মিছামিছি লৰ ধৰিলি? ৰঃ, ৰঃ, মইয়ো আহিছোঁ।" এই বুলি কৈ কৈ ৰূপানীও চোৰ দুটাৰ পিছে পিছে দৌৰি গ'ল আৰু ৰূপানীৰ ভূতুনী ৰূপ দেখি সেই পৰীয়াটোৱে পদাপাল দেখি আঁ আঁকৈ গোঙাই গোঙাই সাৰ-সিকতি নোহোৱা হ'ল।

গাঁৱত এতিয়া আৰু কাৰো ঘৰতে চোৰ নোসোমায়। গাঁৱৰ ৰাইজ এই কথাত নিঃসন্দেহ হ'ল যে গাঁৱত এতিয়া ৰাতি ৰাতি ভূতুনী-পিশাচিনী নিকপকপীয়া এন্ধাৰৰ মাজত ঘূৰি ফুৰে!

দ্বিতীয় দিনা ৰাতিৰ পৰতে চোৰ দুটা পুনৰ ওলাল ভেড়া বা কুকুৰা যি পায়

চুৰি ক'ৰিবলৈ। ৰূপানীও ওলাব খুজিছিল; কিন্তু চোৰ দুটাই তাইক এইবাৰ আৰু লগত নল'লে।

ৰূপানীও ভোকত কাতৰ হৈ পৰিছিল, তাই এডৰা খেতি-পথাৰৰ মাটি খান্দি কিবা কন্দ এটা উলিয়াই কেঁচাই কেঁচাই খাই থাকিল। ৰাতিৰ পৰতে সেই খেতি-পথাৰৰ গৰাকীয়ে খেতিত সজা সৰু জুপুৰি এটাত থাকি পৰ দিছিল। মাজনিশা ভূতুনী ৰূপানীয়ে কন্দ খাই থকা দৃশ্য দেখা পাই—পোনে পোনেই মানুহজনে ভূত খেদোৱা ওজাক মাতি আনিবলৈ উৰ্ধশ্বাসে দৌৰি গ'ল।

ওজা আৰু এই খেতি-পথাৰৰ গৰাকীয়ে পুনৰ উৰ্ধশ্বাসে লৰ ধৰিলে; কিন্তু হঠাৎ ভূতজৰা ওজা বোকামাটিত কঁকাললৈকে পোত খাই পৰিল। তেতিয়া খেতি-পথাৰৰ গৰাকী হৰকান্তই ওজাক কেনেবাকৈ দাঙি আনি ৰাহুত বহুৱাই ল'লে, আৰু ঠিক সেই মুহূৰ্ত্ততে এই দুটাকে চোৰ দুটা আৰু ভেড়া চুৰ কৰি লৈ অহা বুলি ভাবি পাগলী ৰূপানীয়ে চিঞৰি সুধিলে, "বেছ মঙহাল নে?"

শুনি হৰকান্তৰ ধক ছুটিল আৰু সি ওজাক তাৰ বাহুৰপৰা গেলা বোকাৰ মাজলৈ এৰি দিলে আৰু ভূতুনীৰ হাতৰপৰা সাৰিবলৈ চোঁচা ল'লে।

ৰাতিৰ এই লণ্ড-ভণ্ড কাণ্ডৰ কথা গৈ গৈ নৰামৰো কাণত পৰিলগৈ। তাৰ পাছত সি শুনিলে যে—তাৰ ধেমেলীয়া কামৰ ফলত ৰূপহী ৰূপানীক ৰাইজে কেনেকৈ ভূতুনী বুলি ভাবিছিল। নৰামে আৰু পলম নকৰি ৰূপানীক এঠাইৰপৰা বিচাৰি আনিলেগৈ।

কিছুদিনৰ অন্তত নৰামে এই লাজ-লগা ধেমালিৰ অন্ত পেলাই ধনু ভাঙিলে।

নৰামে ৰূপানীকে বিয়া কৰাই তাইৰে সৈতে ন-জীৱনৰ পাতনি তৰিলে।



অগ্নি-পৰ্বত !
অগ্নি-পৰ্বত বা আগ্নেয়গিৰিৰ আটাইতকৈ ডাঙৰ বিস্ফোৰণ ১৪৭০ খৃষ্ট-পূৰ্বাব্দত এজিয়ান সাগৰস্থিত আগ্নেয় দ্বীপ থিৰাত (স্যাঁতোৰিনি) ঘটিছিল বুলি জনা যায়। এই বিস্ফোৰণেৰে ৭০ কিউবিক লাভা নিৰ্গত হৈছিল, যি আছিল, ৪,০০০,০০০ হাইড্ৰোজেন বোমাৰ শক্তিৰ অনুৰূপ !
সমগ্ৰ পৃথিৱীত জীৱন্ত আগ্নেয়গিৰিৰ সংখ্যা হ'ল ৪৫৫। যাৰ মাজত কেৱল ইন্দোনেজিয়াতে ১৬৭টি অগ্নি-পৰ্বত বিদ্যমান !
পৃথিৱীৰ সৰাতোকৈ ডাঙৰ জীৱন্ত আগ্নেয়গিৰি হ'ল হাওৱাই দ্বীপস্থিত 'মওনা লোৱা'। সাগৰ-তলীৰপৰা চূড়ালৈকে এই অগ্নি-পৰ্বত প্ৰায় ১০ কিলমিটাৰ ওখ আৰু সাগৰতলীত পৰিধি তথা ব্যাস হ'ল প্ৰায় ২০০ কিল'মিটাৰ !
১৭৮৩ চনত দক্ষিণ পূৰ্ব আইছল্যাণ্ডত থকা আগ্নেয়গিৰিৰ যি বিস্ফোৰণ ঘটিছিল, তাৰপৰা নিৰ্গত লাভা প্ৰবাহ আছিল বিশ্বৰ অগ্নি-উদ্গীৰণৰ ইতিহাসত দীৰ্ঘতম লাভা প্ৰবাহ। এই লাভা-প্ৰবাহৰ দৈৰ্ঘ্য আছিল ৬৫'৭০ কিল'মিটাৰ !

JUNIOR QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR QUEST
Where finding out is fun
incorporating
Sputnik Junior
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 5/-
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.

- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea.

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra:M:CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH, NORTH EASTERN STATES

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ ছেপ্টেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব



G. Srinivasamurthy

Anant Desai

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল পোষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জন্মৰ অধিকাৰ দ্বিতীয় ফটো : কৰা মোকো উদ্ধাৰ

কুশ ডেকা, এ. এচ. ই. বি. হাইস্কুল, নাৰাংগী, গুৱাহাটী-২৬

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

SUPER CHAMPS
COLLECTION
SCHEME
FREE
স্পৰ্টষ্টাৰ ষ্টিকাৰ
ছুপাৰ মজা! ছুপাৰ বিস্ময়!
গোটোৱা 24 টা ষ্টিকাৰ। জয় কৰা চমকপ্ৰদ পুৰস্কাৰ।
আহি পালেহি! নতুন 25 টা হাজমোলা কেন্ডী থকা "ছুপাৰচেম্পছ" পেক। ইয়াৰ ভিতৰত পাবা তোমাৰ প্ৰিয় স্পৰ্টষ্টাৰৰ এটা ষ্টিকাৰ। ইমৰাণ খান। ইভান লেন্ডল। ষ্টেফি গ্ৰাফ। আৰু অনেকৰ। আটাইবোৰেই তোমালৈকে অপেক্ষা কৰি আছে।
মাত্ৰ 5 টা ষ্টিকাৰ গোটোৱা। বাহ! এটা বঢ়িয়া "ছুপাৰচেম্পছ" এলবাম তোমাৰ হ'ল। ইয়াৰ উপৰি তুমি বিনামূল্যে হাজমোলা কেন্ডী ক্লাবৰ সদস্যতাও পাবা। (বিতং বিৱৰণ প্ৰতিটো 'ছুপাৰচেম্পছ' পেকৰ ভিতৰত পাবা)
খৰখেদা কৰা। তোমাৰ 'ছুপাৰচেম্পছ' সংগ্ৰহ আজিয়েই আৰম্ভ কৰা!
Hajmola®
CANDY
SUPER CHAMPS
SURPRIZE
এলবামটো সম্পূৰ্ণ কৰা প্ৰথম 1000 জনৰ বাবে।
Hajmola
COLLECT 24 SPORTSTAR STICKERS AND COMPLETE THE ALBUM.
টেঙা-মিঠা
Hajmola®
CANDY
everest/d91/DIL/69 as

CHANDAMAMA (Assamese) July 1991 Regd. No. TN/MS (S)/87